আগষ্ট 2002 Rs. 10/-

# চান্দমামা

# সুগন্ধী দ্ৰব্য

কণমানি চন্দনাই পুৰণি চন্দন গছ এজোপাৰ ডালত বহি আছে। তাই এডাল ঠানিত ভালদৰে ধৰি তাৰে পাত কেইটামান শুঙি চালে।

"ছি! তুমি চন্দনকাঠ নহয়। তোমাৰ কোনো গোন্ধ নাই। তুমি মোক মুৰ্খ বনাব খুজিছা।" তাই কলে।

"হাঃ, হাঃ!" বুঢ়া গছজোপাই হাঁহিলে। "মোৰ গন্ধ গছৰ পাতত নাথাকে। সেয়া মোৰ একেবাৰে ভিতৰৰ কাঠত আৰু শিপাত থাকে। ভিতৰৰ কাঠ মানে বাকলি বা পলসুৱা ভাগ নহয়, বাকলিৰে আবৰা কাঠ অংশ। মোৰ শিপাবোৰ ইমান বেচি তেলেতীয়া যে চন্দনগছ কেতিয়াও নাকাটে, ইয়াক উভালি পেলায়, যাতে ইয়াৰ তেল সমৃদ্ধ শিপাবোৰ পেলনি নাযায়।"

চন্দনকাঠৰ তেল মধুৰ গন্ধযুক্ত, লেকেতীয়া আৰু পাতল হালধীয়া ৰঙৰ। ইয়াৰ গন্ধ বহুদিন থাকে। চন্দনকাঠৰ তেলত চান্টোলল নামৰ এবিধ মাদক পদাৰ্থ থাকে। এই চান্টোললৰ পৰাই চন্দনৰ গন্ধ ওলায়। উৎকৃষ্ট মানৰ চন্দনকাঠৰ তেলত ৯০% তকৈও বেচি চান্টোলল থাকে।

মহীশূৰৰ চন্দনে যোৱা ৮০ বছৰৰো ওপৰ কাল তোমালোকৰ ঘৰলৈ চন্দন কাঠৰ সদগুণ কঢ়িয়া লৈ আহি আছে।

## চন্দনকাঠৰ বিষয়ে জানিলোঁৱা

তলত দিয়া বাক্যবোৰৰ কোনটো সঁচা আৰু কোনটো মিছা?

১. আতৰ তৈয়াৰ কাৰিবলৈ গোলাপ আৰু জেচমিনৰ নিচিনা অন্য সুগন্ধী দ্ৰব্যৰ তেলৰ সৈতে চন্দনকাঠৰ তেল ব্যৱহাৰ কৰা হয়।

২. আইচ ক্ৰীমৰ নিচিনা খাদ্যবস্তুত চন্দন কাঠৰ তেল ব্যৱহাৰ কৰা হয়।

৩. জ্বৰ আৰু মূৰৰ বিষৰ উপশমৰ কাৰণে কপালত চন্দনকাঠৰ লেপন ব্যৱহাৰ কৰা হয়।

উত্তৰ: ১, ২, ৩ মিছা, মিছা, সঁচা।

PIRANHA
ACTIVE
CADET HX
YANKEE
ROBO COP
HERO
Heroes start early.
Ride, race, take a tumble or even take a fall.
Because it's never too early to be a hero.
HERO CYCLES

# গুহাৰ বিষয়ে জানি লোৱা

গুহাবোৰ কি তুমি জানানে? সেইবোৰ হল পৃথিৱীৰ ওপৰত সৃষ্টি হোৱা কিছুমান খালী ঠাই, যত আনকি মানুহো সোমাব পাৰে ।

আহা, এতিয়া আমি অন্ধ্ৰ প্ৰদেশৰ কাৰ্নূল জিলাৰ বেলাম গুহলৈ যাওঁ । এইটো ভাৰতৰ ভিতৰত সমতল অঞ্চলৰ দীঘল গুহা বা গহ্বৰ প্ৰণালী । এইটো দীঘলে প্ৰায় ৩কি:মি: ধৰা হয় যদিও ২কি:মি: লৈকেহে ঢুকি পাব পাৰি । তুমি নিশ্চয় জানাই, গুহা প্ৰণালী মানে একেখন ঠাইতে থকা কিছুমান সংলগ্ন গুহা ।

বেলাম গুহাবোৰত দীঘল আৰু বহল সুৰঙ্গ আছে যিবোৰ পৰিষ্কাৰ পানীৰ ফোৱাৰাৰ দ্বাৰা হঠাতে মুকলি হৈ ডাঙৰ আৰু আহল বহল কক্ষত পৰিণত হৈছিল ।

যেতিয়া পানী থকা কাৰ্বন ডাই-অক্সাইডে গুহাৰ চূণ শিলবোৰ গলাই দিয়ে তেতিয়া গুহাৰ ওপৰভাগৰ পৰা জলীয় বাষ্পবোৰ টোপ টোপাকৈ সৰি পৰে আৰু সেই সৰিপৰা পানীবোৰ গোটমাৰি বৰফৰ দৰে টিউবৰ সৃষ্টি হয়, তাকে ষ্টেলাকটাইটচ বোলে ।

অন্ধ্ৰ প্ৰদেশ পৰ্য্যটন উন্নয়ন নিগমে (**APTDC**) বেলাম গুহবোৰক ধুনীয়া ভ্ৰমণ স্থানলৈ ৰূপান্তৰিত কৰিছে । এ পি টি ডি চি-য়ে গুহাৰ ভিতৰত থকা ভেৰভেৰীয়া বোকাবোৰ উলিয়াই দি পথ বনাই দিছে আৰু গুহাৰ ভিতৰখন আলোকিত কৰি দেখিবলৈ ধুনীয়া কৰি দিছে । গুহাবোৰৰ ভিতৰৰ অংশলৈ মুকলি বতাহ যোৱাৰ ব্যৱস্থা কৰি দিছে ।

এতিয়া আমি বেলাম গুহাত প্ৰৱেশ কৰো আহা ।

গুহাবোৰৰ প্ৰথম কক্ষটোক কোৱা হয় সিংহদ্বাৰম । এটা ধুনীয়া সৰু পুখুৰী, এটা জলপ্ৰপাত আৰু এটা নিজৰাই ইয়াৰ সৌষ্ঠিৱ বৰ্দ্ধন কৰিছে। গুহাবোৰৰ ভিতৰত এইটোৱে আটাইতকৈ ডাঙৰ কক্ষ। ইয়াৰ উচ্চতা প্ৰায় ৯ মিটাৰ ।

অন্য এটা কক্ষক মণ্ডপম বুলি কোৱা হয় । এইটো ধুনীয়াকৈ সজোৱা মাটিৰ তলত থকা এটা হল।

ইয়াৰ পিছত এটা সুৰঙ্গৰে তুমি পাতালগঙ্গা নামৰ অন্য এটা কক্ষলৈ যাব পাৰিবা । ইয়াতে এটা ক্ষুদ্ৰ জলপ্ৰপাত আছে ।

কিছুমান ঠাইত গুহাৰ উপৰি ভাগ প্ৰায় ২০ মিটাৰ ওখ । একেবাৰে ভিতৰৰ কোণবোৰলৈ এটা লোৰ আছে । ইয়াৰ সৌন্দৰ্য্য বৰ্দ্ধনৰ কাৰণে লোৰটো ধুনীয়াকৈ আলোকিত কৰা হৈছে ।

এক অকোৱা পকোৱা চিৰিয়ে তোমাক কোটিলিঙ্গলু কক্ষলৈ লৈ যাব । এইটো ষ্টালাকটাইটচেৰে

ANDHRA PRADESH TOURISM DEVELOPMENT CORPORATION

**For details please contact:** Divisional Office, APTDC: 6, C-Camp, Nandyal Road, Kurnool Phone: 08518 70104 or Central Reservation Offices : **Hyderabad :** Tank Bund Road, Ph: 040-3453036, 3450165 Fax : 040-3453086; **Secunderabad:** Yatrinivas, S.P. Road, Ph : 040-7893100, 7816375; **Visakhapatnam:** LIC Building, Daba Garden, Ph:0891-713135; **Vijayawada:** Hotell Ilapuram Complex, Gandhi Nagar, Ph : 0866-570255, Information Counter at Railway Station; Information & Reservation Counter at APSRTC, Pandit Nehru Bus Station, Ph: 0866-523966; **Tirupati:** T.P. Area, Beside Venkateswara Bus Station, Ph: 08574-55385 **Divisional Office:** C/o. 6, C-Camp, Nandyal Road, Kurnool. Ph: +91 (8518) 70104 Fax: 33722 **Bangalore:** Tourist Information Centre, C/o. ITDC Unit, Ashoka Travels & Tours, Race Course Road, Bangalore-560 001. Ph:080-2383361, 2383362 Fax:080-2383363

# বেলুম গুহ

- প্ৰকৃতিৰ বিস্ময়

পূৰ্ণ । এই ষ্টালাকটাইটবোৰ চালে, ক্ষুদ্ৰ হিমালয় পৰ্বতমালক উলটাই থোৱা যেন দেখি । তুমি ইয়াত বিভিন্ন ধৰণৰ ৰঙৰ ষ্টালাকটাইট দেখিবলৈ পাবা ।

১৮৮৪ চনত বৃটিছ ভূতত্ত্ববিদ ৰবাৰ্ট ব্ৰুচ ফুটে এই লাখ লাখ বছৰ পুৰণি গুহাবোৰৰ বিষয়ে প্ৰথম উল্লেখ কৰিছিল । তাৰ প্ৰায় এক শতিকাৰ পিছত গুহা অধ্যয়ন বিজ্ঞানীৰ দল এটাই জাৰ্মান গুহা অধ্যয়ন বিজ্ঞানীৰ দল এটাই জাৰ্মান গুহা অধ্যয়ন বিজ্ঞানী ডেনিয়েল গেবুৰ (Daniel Gebaur) নেতৃত্বত এই বেলাম গুহাবোৰ বিতংভাবে আবিষ্কাৰ কৰিছিল। ১৯৯৯চনত অন্ধ্ৰ প্ৰদেশ পৰ্য্যটন নিগমে এই গুহাবোৰৰ তত্ত্বাৱধান লয় আৰু এক পৰ্য্যটকৰ আকৰ্ষণীয় ঠাইলৈ ইয়াক ৰূপান্তৰিত কৰে ।

এতিয়া তুমি বেলাম গুহ পৰিদৰ্শন কৰিলা । সেইবোৰ প্ৰকৃতিৰ এক আচৰিত সৃষ্টি ।

**অবস্থান :** এই ঠাই কাৰ্ণুল জিলাৰ কলিমিগুণ্ডুলা মণ্ডলৰ বেলুম গাঁৱৰ ওচৰৰ। ওচৰৰ চহৰবোৰৰ পৰা ইয়ালৈ বাছেৰে যাতায়তৰ ব্যৱস্থা আছে। কাৰ্ণূলৰ পৰা বনগনপল্লি হৈ ১১০ কি.মি. *নানদিয়াল পৰা ৬০ কি.মি. * তাৰীপৰীৰ পৰা ৩১ কি.মি. *অনন্তপুৰৰ পৰা ৮৪ কি.মি. *বাঙ্গালোৰৰ পৰা ২৭০ কি. মি.। অন্ধ্ৰ প্ৰদেশ পৰ্য্যটন উন্নয়ন নিগমে শিক্ষামূলক ভ্ৰমণৰ আয়োজন কৰি সেই গুহাবোৰ চাবলৈ ছাত্ৰছাত্ৰীবোৰক তালৈ লৈ যোৱাৰ ব্যৱস্থা কৰিব পাৰে ।

ANDHRA PRADESH TOURISM

এই সংখ্যাত আছে বৰ্ষ : ২৯ আগষ্ট ২০০২ সংখ্যা - ৭

ভাৰতৰ পৌৰাণিক আখ্যান ২৫

মাধৱৰ মহিমা (বেতাল কাহিনী) ১৯

মায়া সৰোবৰ ১১

গণেশ ৪৫


## এই মাহৰ বিশেষ আকৰ্ষণ


★ পানীলৈ ভয় ... ১০ ★ মায়া সৰোবৰ ... ১১
★ লাখ টকা মূল্যৰ পাথৰ ... ১৬ ★ মাধৱৰ মহিমা (বেতাল কাহিনী) ...১৯ ★ ভাৰতৰ পৌৰাণিক উপাখ্যান-৪ ... ২৫
★ হাঁহিয়ে আচল সৌন্দৰ্য্য ... ২৮ ★ ভাৰতৰ বিষয়ে জানি লোৱা ... ৩১ ★ মানৱ সেৱাই ভগবানৰ সেৱা ... ৩২
★ ইণ্ডিয়াস্কোপ ... ৩৫ ★ পুখুৰী খনন ... ৩৬
★ কেৰালাৰ লোক কথা ...৩৮ ★ সংবাদ বিচিত্ৰা ... ৪৪ ★ গণেশ ... ৪৫★ বুদ্ধিমতী সাবিত্ৰী ... ৫১
★ শেখৰৰ উপহাৰ ... ৫৫ ★ ভাল মানুহ ... ৫৬
★ অজেয় গৰুড় ... ৫৯ ★ খেলিমেলি ধেমালি ... ৬৪ ★ ফটো নামকৰণ প্ৰতিযোগিতা ... ৬৬

**SUBSCRIPTION**

For USA and Canada
Single copy $2
Annual subscription $20
*Remittances in favour of Chandamama India Ltd.*
to
Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony,
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

**বৰঙণি**

বিমান ডাকযোগে পৃথিবীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্‌ট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক

চেন্নাই
ফোন : ০৪৪-২৩৪৭৩৮৪, ২৩৪৭৩৯৯
e-mail : advertisements@chandamama.org

দিল্লী
*মিচ মোনা ভাটীয়া*
ফোন : ০১১-৬৫১৫১১১/ ৬৫৬৫৫১৩/৬৫৬৫৫১৬

মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬/২৬৫৩০৫৭


© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক
বি.নাগি ৰেড্ডি আৰু চক্ৰপাণি

# নিজৰ দেশৰ প্ৰতি ভালপোৱা

যোৱা ৫৫ বছৰে ভাৰতবৰ্ষ এখন স্বাধীন ৰাষ্ট্ৰ হিচাবে পৰিচয় দি আহিছে । আমি এতিয়া কৃষি ভিত্তিক অৰ্থনীতিৰ পৰা উদ্যোগ ভিত্তিক অৰ্থনীতিলৈ গতি কৰিছো । আমি বহুতো অনুন্নত ৰাষ্ট্ৰকে পিছ পেলাই থৈ এক উন্নয়নশীল ৰাষ্ট্ৰলৈ উন্নিত হব পাৰিছো । মহাকাশ প্ৰযুক্তি ক্ষেত্ৰত সফলতা আৰু পৰমাণু অস্ত্ৰ তৈয়াৰৰ ক্ষমতাই আমাক আৰু এঢাপ আগবঢ়াই লৈ গৈছে ।

এইবোৰ কাৰণে প্ৰতিজন ভাৰতীয়ই নিজৰ দেশৰ কাৰণে স্বাভাৱিকতে গৌৰৱ অনুভৱ কৰে । কিন্তু আৰু অন্য এটা ফালো আছে, যিটো গুৰুত্বপূৰ্ণভাৱে বিবেচনা কৰা উচিত । গান্ধীজীয়ে এবাৰ কৈছিল, "মোৰ ঘৰৰ সকলো ফালে মই বেৰ দিয়াতো নিবিচাৰো আৰু মোৰ খিৰিকীবোৰো খোলা থাকিব লাগিব । বিশ্বৰ সকলো দেশৰে সংস্কৃতি মোৰ ঘৰলৈ মুক্তভাৱে সোমাই আহাতো বিচাৰো, কিন্তু সেইবোৰৰ দ্বাৰা মোৰ ভেটি উৰি যাব নালাগিব । "গান্ধীজীৰ নিচিনাকৈ স্বামী বিবেকানন্দইও ভাৰতীয় সকলক এইদৰে পৰামৰ্শ দিছিল, "আমাৰ সংস্কৃতিক নিৰাপত্তা দিয়া, সংৰক্ষণ কৰা, উন্নত কৰা, আমাৰ ঐতিহ্যক দৃঢ়ভাৱে ধৰি ৰাখা আৰু আমাৰ পৃথক অস্তিত্ব বজায় ৰাখা ।"

উমাহৰণ হিচাবে আমাৰ আগত জাপান আৰু জাৰ্মান, এই দুটা জাতি আছে । দ্বিতীয় মহাযুদ্ধৰ শেষত এই দুয়োখন দেশেই উচ্ছন্ন হৈ গৈছিল । কিন্তু যিসকল জীয়াই আছিল তেওঁলোকৰ দেশৰ প্ৰতি আছিল অসীম ভালপোৱা । সেয়েহে তেওঁলোকে আকৌ মূৰ দাঙি উঠিবলৈ দহ বছৰো সময় নালাগিল ।

এখন দেশে জনসাধাৰণৰ পৰাই ইয়াৰ শক্তি লাভ কৰে । এই কথাটো আমি আমাৰ দেশৰ ৫৫ তম স্বাধীনতা দিৱসৰ দিনাখনেই সোঁৱৰণ কৰো আহা আৰু ভাৰতক এখন শক্তিশালী ৰাষ্ট্ৰ হিচাবে গঢ়ি তুলিবলৈ মনে প্ৰাণে চেষ্টা কৰো ।

সম্পাদক : বিশ্বম

Visit us at : http://www.chandamama.org

# হিৰোজ অফ ইণ্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

## হিৰোজ অফ ইণ্ডিয়া - ১১

আধুনিক ভাৰতবৰ্ষত তুমি বিচাৰিলে বহুতো হিৰো পাবা। ইয়াতে তাৰে কেইজনমানৰ বিষয়ে দিয়া হ'ল। তুমি তেওঁলোকক জানানে?

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হব। *

1. জীৱনজোৰা অবদানৰ কাৰণে অস্কাৰ পুৰস্কাৰ পোৱা ময়েই একমাত্ৰ ভাৰতীয় কথাছবি নিৰ্দেশক। ইয়ো এক দান নহয়নে বাৰু? মোৰ নাম কোৱা।

---------------------------------------------

2. ১৯৮৭ চনত মোক প্ৰথম বিশ্ব খাদ্য পুৰস্কাৰ দিয়া হৈছিল। মই সেউজ আন্দোলনৰ পিতৃ হিচাবে সৰ্বজন বিদিত। তুমি মোৰ নাম জানানে?

---------------------------------------------

3. মই এজন বিখ্যাত মাৰাঠী নাট্যকাৰ। মোৰ নাটকবোৰ সংঘৰ্ষপূৰ্ণ। তুমি মোক জানানে?

---------------------------------------------

4. ময়েই প্ৰথম ভাৰতীয় মহাকাশচাৰী। মোক চিনিবলৈ ইয়াতকৈ বেচি কোৱাৰ নিশ্চয় আৱশ্যক নাই।

---------------------------------------------

5. মোৰ নামটো ওডিচি নৃত্যৰে সৈতে সমাৰ্থকযুক্ত। মই এজন পদ্মশ্ৰী আৰু পদ্মভূষণ বঁটা প্ৰাপ্ত লোক। মোৰ নাম কি কোৱাচোন?

---------------------------------------------

প্ৰতিটো প্ৰশ্নৰ তলত থকা খালী ঠাইত স্পষ্টকৈ উত্তৰ লিখিবা। এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা হিৰো কোনজন আৰু কিয় ভাল লাগে? মোৰ ভাল লগা আধুনিক হিৰো হ'ল - এই বিষয়ে ১০টা শব্দ লিখা।

...........................................................................

...........................................................................

প্ৰতিযোগীৰ নাম..........................................

বয়স......................শ্ৰেণী.........................

ঠিকনা......................................................

পিন......................ফোন...........................

প্ৰতিযোগীৰ চহী..........................................

দেউতাক/মাকৰ চহী.......................................

এই পৃষ্ঠাটো ফালি তলৰ ঠিকনালৈ পঠাবা

**Heroes of India Quiz - 11**
**Chandamama India limited**
**No 82, Defence Officers Colony**
**Ekkatuthangal, Chennai-600097.**

২০০২ চনৰ ৫ চেপ্তেম্বৰৰ আগতে পোৱাকৈ উত্তৰ পঠাবা

তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES

**নিয়মাৱলী :**

১.এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে।

২.সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰ পৰা ৩ জন বিজয়ী প্ৰতিযোগী বাচনি কৰা হব। বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব। যদি শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচি হয়, তেতিয়াহলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগী বাচনি কৰা হব।

৩.বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত।

৪.এই সম্পৰ্কে কোনো চিঠি পত্ৰ আদান প্ৰদান কৰা নহব।

৫.সকলো বিজয়ী প্ৰতিযোগীকে ডাকযোগে জনোৱা হব।

# এজন বিজ্ঞানী ৰাষ্ট্ৰপতি

ভাৰতৰ একাদশ ৰাষ্ট্ৰপতি ড: এ পি জে আব্দুল কালাম, আমাৰ দেশাৰ শ্ৰেষ্ঠ বিজ্ঞানী সকলৰ ভিতৰত অন্যতম । ২৫ জুলাইত তেওঁ ভাৰতৰ ৰাষ্ট্ৰপতি হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰিছে । এজন বিজ্ঞানী এখন দেশৰ ৰাষ্ট্ৰপতি হোৱা এইটোৱে বোধহয় প্ৰথম উদাহৰণ।

১৯৩১ চনত ৰামেশ্বৰমৰ এক মধ্যবিত্ত পৰিয়ালত ড: আবুল পকিৰ জৈনাল আবদিন আব্দুল কালামৰ জন্ম হৈছিল । কালামৰ দেউতাকৰ দুখন ফেৰী নাও আছিল । সেই দুখন ৰামেশ্বৰম আৰু ধনুচখোডিৰ মাজত চলিছিল । মাক দেউতাকৰ সাতটা সন্তানৰ ভিতৰত আব্দুল কালাম আছিল কনিষ্ঠতম । ৰামনাথপুৰমৰ খৃষ্টিয়ান মিচনাৰী স্কুলৰ পৰা এচ এচ এল চি পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত কালামে টিৰুচিৰাপল্লীৰ চেন্ট জোচেফ কলেজত নাম লগায় । তাৰপৰা পদাৰ্থ বিজ্ঞানত স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত তেওঁ বিমান বিদ্যা অধ্যয়নৰ কাৰণে মাদ্ৰাজ ইনষ্টিটিউট অফ টেকনলজিত ভৰ্ত্তি হয় ।

স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পাছত কালামে ডিফেন্স ৰিচাৰ্চ এণ্ড ডেভোলাপমেন্ট অৰ্গেনাইজেশ্যনত যোগদান কৰে । তাত তেওঁ ৪০ বছৰ কাম কৰিছিল। 'অগ্নি' আৰু 'পৃথিৱী'ৰ নিচিনা মিচাইল উৎপাদনৰ দায়িত্ব তেওঁৰেই আছিল । এই কাৰ্য্যসূচীৰ কৃতকাৰ্য্যতাৰ পিছত 'মিচাইল মেন' নামেৰে তেওঁ জনপ্ৰিয় হৈ উঠে । পোখৰানৰ পৰমাণু বিস্ফোৰনো ড: কালামাৰ তত্ত্বাৱধানতে ঘটোৱা হৈছিল । তেওঁ ভাৰত চৰকাৰৰ বৈজ্ঞানিক উপদেষ্টাও আছিল । বিজ্ঞানৰ ক্ষেত্ৰত আগবঢ়োৱা অসামান্য বৰঙণিৰ কাৰণে ভাৰত চৰকাৰে তেওঁক সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্ন'ৰে বিভূষিত কৰে।

অৱসৰ গ্ৰহণৰ পিছত ড: আব্দুল কালামে শিশু আৰু যুৱকসকলৰ লগত সময় কটোৱাৰ ইচ্ছাৰ কথা কৈছিল । তেওঁ শিক্ষানুষ্ঠানবোৰলৈ গৈ ছাত্ৰ-ছাত্ৰীৰ আগত দেশৰ ভৱিষ্যতৰ বিষয়ে বক্তৃতা দিছিল। গান্ধীজীৰ জন্মস্থান পোৰবন্দৰত এজনী ছোৱালীয়ে কালামৰ পৰা বাণী বিচৰাত তেওঁ কৈছিল, "প্ৰত্যেকৰে মনৰ ভাব এইটো হব লাগে, ব্যক্তিতকৈ দেশ সদায় ডাঙৰ ।" তেওঁ সদায় গৌৰৱেৰে কয় যে প্ৰথমতে তেওঁ এজন ভাৰতীয় । ২০২০ চনৰ ভিতৰত ভাৰতক এখন সম্পূৰ্ণ উন্নত ৰাষ্ট্ৰ হিচাবে গঢ়ি তোলাৰ তেওঁৰ মনৰ পৰিকল্পনাৰ কথাও তেওঁ কয় ।

ড: কালামে যেনেদৰে উৰ্দুত কোৰাণ পঢ়িব পাৰে ঠিক সমান দক্ষতাৰে সংস্কৃতত ভাগৱত গীতা পাঠ কৰিব পাৰে । তেওঁ বীণাও বজাব পাৰে ।

১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা বাতৰি কাকতত দুখন ফটো প্ৰকাশ হৈছিল । তাৰে এখনত পণ্ডিত জৱাহৰলাল নেহৰুৱে জাতীয় পতাকা উত্তোলন কৰিছে আৰু আনখনত গান্ধীজীয়ে দাঙ্গা বিধ্বস্ত নোৱাখালীৰ ৰাস্তাৰে খোজকাঢ়ি গৈছে । সেই ফটোৰ কথা সোঁৱৰণ কৰি ড: কালামে কৈছিল, "নেতৃত্বৰ অতুলনীয় গুণ থাকিব লাগে ।" সকলো পাঠকৰ হকে চান্দমামাই এই সুযোগতে ড: আব্দুল কালামলৈ শুভেচ্ছা জ্ঞাপন কৰিছে ।

# পানীলৈ ভয়

জানপুৰ গাঁৱৰ চাৰিওফালে খেতি পথাৰ আছিল । সেই গাঁৱত এটা পুখুৰী আছিল । পুখুৰীটো বেচি গভীৰ নাছিল । গাঁৱৰ মানুহে তাত সাঁতোৰ শিকিছিল । তেওঁলোকে ভাবিছিল কেতিয়াবা যদি বানপানী আহি বান্ধ ভাঙি যায় তেতিয়া এই সাঁতোৰ শিকা কামত আহিব ।

সেই গাঁৱত গোবিন্দ নামৰ চল্লিছ বছৰীয়া এজন কৃষক আছিল । তেওঁ ওখই প্ৰায় ছয় ফুট আছিল । তেওঁ সাঁতোৰ নাজানিছিল । কোনোবাই তেওঁক সাঁতোৰ শিকাৰ পৰামৰ্শ দিলে তেওঁ কৈছিল - "পানীলৈ মোৰ ভয় লাগে । গাঁৱৰ ওচৰ কাষৰত এনে নলা বা পুখুৰী নাই যে মই ডুব যাম, কাৰণ মই ছয় ফুট ওখ । মই সাঁতোৰ শিকাৰ কি প্ৰয়োজন?"

গোবিন্দই এদিন সন্ধিয়া খেতি পথাৰৰ পৰা ঘৰলৈ উভতিছিল । বাৰিষাৰ বতৰ । তেওঁ পুখুৰীৰ পাৰে পাৰে আহি আছিল । খুব জোৰে বৰষুণ দি আছিল । ভালদৰে একো দেখা নগৈছিল । হঠাতে ভৰি পিচলি গৈ গোবিন্দ পুখুৰীত পৰি গল । তেতিয়া তেওঁ ভাবিবলৈ ধৰিলে, "হে প্ৰভু, এয়া কি হ'ল । মইতো সাঁতুৰিব নাজানো । এতিয়া মই নিশ্চয় ডুব যাম।" এইবুলি তেওঁ পানীৰ তললৈ যাবলৈ ধৰিলে ।

তেতিয়াহে হঠাতে তেওঁৰ মনত পৰিল পুখুৰীটোতো বহুদিন ধৰি তৰাং হৈয়ে আছে । মই ডুব যাব লগা বেচি পানী নহব কিজানি । এই কথা মনলৈ অহাৰ লগে লগে তেওঁ তাতেই থিয় হ'ল আৰু নিজৰ ভ্ৰমৰ কাৰণে লজ্জা বোধ কৰিলে । তেওঁ মনে মনে ভাবিবলৈ ধৰিলে, "মই কিমান বুৰ্বক, য'ত বেচি পানী নাই তাতো ডুবি মৰিম বুলি মোৰ ভয় । ভয়তে মোৰ মতিভ্ৰম হৈ গৈছে । এতিয়া সাঁতোৰ শিকিবই লাগিব ।"

- কাশীৰাম



# মায়া সৰোবৰ

## 5

(বনৰীয়া হাতীবোৰক খেদি থৈ অহাৰ পাছত ঘঁৰিয়ালৰ আকৃতিৰ মানুহটোৱে চৰকাচাৰীক বিচাৰি ওলাই গ'ল । অজগৰৰ মুখত বন্দী হৈ চৰকাচাৰীয়ে প্ৰাণ ৰক্ষাৰ কাৰণে চটফটাই আছিল । জয়শীলে তেওঁক অজগৰৰ মুখৰ পৰা ৰক্ষা কৰিলে আৰু বিভিন্ন প্ৰশ্ন কৰিবলৈ ধৰিলে । সেই সময়তে ঘঁৰিয়ালৰ আকৃতিৰ মানুহজন তাত উপস্থিত হ'ল । তেওঁক দেখিয়েই জয়শীলৰ হাতখনে তৰোৱালৰ মুঠিত খামোচ মাৰি ধৰিলে । সিদ্ধসাধকে মন্ত্ৰদণ্ড হাতত তুলি ললে) ইয়াৰ পিছত -

ঘঁৰিয়ালৰ আকৃতিৰ মানুহটোৱে দেখিবলৈ পালে জয়শীল আৰু সিদ্ধসাধকে তেওঁৰ সন্মুখীন হবলৈ নিৰ্ভীকভাবে থিয় হৈ আছে। তেওঁ ভাবিছিল তেওঁৰ বাহনৰ অদ্ভুত গাৰ ৰং আৰু তেওঁৰ ঘঁৰিয়ালৰ আকৃতি দেখি দুয়োজনে ভয় খাই পলাই পত্ৰং দিব । কিন্তু তেনে ধৰণৰ একো নহ'ল ।

ঘঁৰিয়ালৰ আকৃতিৰ মানুহজনে শূলপাত তুলি লৈ জোৰে চিঞৰি কলে, "তোমালোক কোন? এই অৰণ্যলৈ তোমালোক কিয় আহিছা?"

জয়শীলে খাপৰ পৰা তৰোৱালখন উলিয়াই লৈ কলে, "তোমাৰ এই ৰূপ দেখি মই হাঁহি বন্ধ কৰি ৰাখিব পৰা নাই । যিটো প্ৰশ্ন মই কৰিব লাগিছিল তুমিহে সেইটো কৰিলা। ঠিক আছে, এতিয়া কোৱা তুমি কোন? এই অৰণ্যতে তোমাৰ কি কাম? অনুমান হৈছে যিটো হাতীত তুমি উঠি আহিছা সেইটোকো আচৰিত ছালেৰে ঢাকি ৰাখিছা। এনে ঢং তুমি কিয় ধৰিছা?"

"ছিঃ, এজন অধম মানৱে মোক এনে

প্ৰশ্ন কৰে । এয়া ঘোৰ অপমান ।” এই বুলি কৈ ঘঁৰিয়ালৰ আকৃতিৰ লোকজনে হাতীটোক সঙ্কেত দিলে । তেতিয়ালৈকে ঘঁৰিয়ালৰ নেজত ধৰি থকা বীৰে সাহস গোটাই ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰীৰ হাত দুখনত খামুচি ধৰি কলে, “ঘঁৰিয়াল মহাশয়, অলপ শান্ত হওক । স্বীকাৰ কৰিছো বাৰু, তুমি এজন ডাঙৰ বীৰ । কিন্তু এই কথা পাহৰি নাযাবা যে তোমাৰ পেটৰ ভিতৰত এখন তৰোৱাল সোমাই আছে । তেওঁলোক দুজনৰ লগত সন্ধি কৰাটোৱে উচিত কাম হব । চৰকাচাৰীও তোমাৰ চিকিৎসা কৰিব পৰা অৱস্থাত নাই ।”

বীৰে এই কথা কোৱাৰ পিছতে ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰীয়ে চৰকাচাৰীক দেখিলে । তেওঁ উঠিবলৈ চেষ্টা কৰি আছে, কিন্তু পৰা নাই । তেওঁৰ ভৰিদুখন তেজেৰে ৰঙা হৈ আছে । তেওঁ বিষতে কেঁকাই আছে । তেওঁৰ ওচৰতে কাটি পেলাই থোৱা অজগৰটোৱে চটফটাই আছে । এই দৃশ্য দেখি ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰীয়ে অলপ সময় নিস্তব্ধ হৈ পিছত চৰকাচাৰীক কলে, “চৰকাচাৰী, মোৰ চিকিৎসা কৰিবলৈ আহি অজগৰৰ কবলত পৰিলা । তুমি চাগে অজগৰটোকে বনৌষধি বুলি ভাবিলা । যদি তোমাৰ অজগৰৰে আৱশ্যক মই তোমাক হাতী গিলিব পৰা অজগৰ দিলোহেতেন ।”

তাৰপিছত ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰীয়ে তেওঁলোক দুজনৰ ফালে ঘোপাকৈ চাই কলে, “তোমালোক দুয়ো এতিয়াও ইয়াতে আছা । তোমালোকে যদি জীয়াই থাকিব বিচৰা তৎক্ষণাত ইয়াৰ পৰা গুচি যোৱা, নহলে মোৰ এই শূলে তোমালোকৰ ওপৰত নিজৰ শক্তি প্ৰদৰ্শন কৰিব ।”

জয়শীলে তৰোৱাল দাঙি লৈ এক খোজ আগবাঢ়ি গ'ল । ইয়াকে দেখি বীৰ চিঞৰি উঠিল আৰু জয়শীলক উদ্দেশ্য কৰি কলে, “হে তৰোৱালধাৰী যুৱক, ক্ষান্ত হোৱা । এই ঘঁৰিয়াল মহাশয়লৈ কিয় তৰোৱাল উঠাইছা? এয়াতো এজন অসহায় মানুহক মাৰাৰ সমান। তেওঁৰ পেটত ইতিমধ্যে এখন তৰোৱাল সোমাই আছেই । যদি সেইখন সোনকালে উলিয়াই দিয়া নহয় তেওঁৰ মৃত্যু অনিবাৰ্য্য ।”

“মই এইটো নিবিচাৰো যে তেওঁৰ মৃত্যু হওক । তেওঁৰ পেটত যিখন তৰোৱাল সোমাই আছে তাৰে আধা ভাগ কনকাক্ষ ৰজাৰ ওচৰত আছে, “জয়শীলে কলে ।

জয়শীলে কথা শেষ কৰিবলৈ নাপালেই,

এনেতে ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰীয়ে গৰ্জন কৰি কলে, "তাৰমানে তুমি জানিব পাৰিছা, মই কোন?"

"হয়, জানিব পাৰিছো । তুমিয়েই হাবিৰ পৰা ৰাজকুমাৰ আৰু ৰাজকুমাৰীক অপহৰণ কৰি লৈ গৈছা । তোমাৰ পেটত যিখন তৰোৱালা সোমাই আছে, সেইখন ৰাজকুমাৰ কাঞ্চনবৰ্মাৰ তৰোৱালা ।" জয়শীল কলে ।

"ইমানলৈকে যদি জানিবই পাৰিছা তেনেহলে তোমালোক জীয়াই থকা মোৰ কাৰণে ভাল নহব ।" এইবুলি কৈ ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰীয়ে হাতীটোক আগবাঢ়িবলৈ দি শূল পাত উলিয়াব খুজিছিল, কিন্তু বীৰে শূলপাতত টান মাৰি ধৰিলে । এই টনা আজোৰাত ভাৰসাম্য হেৰুৱাই শূলপাত সহ বীৰ মাটিত বাগৰি পৰিল ।

জয়শীলে এই সুযোগতে পিছফালৰ পৰা হাতীৰ পিঠিত উঠি ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰীৰ গলধনত ধৰিলেগৈ । ইতিমধ্যে সিদ্ধসাধকে মাটি পৰি যোৱা শূলপাত তুলি ললে আৰু "জয় মহাকালী" বুলি ডাঙৰকৈ চিঞৰি উঠিল । ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰীয়ে শূলপাত হেৰুৱাৰ লগতে শত্ৰুৰ কবলতো পৰিব লগা হ'ল ।

জয়শীলে তৰোৱালখন ঘঁৰিয়ালৰ ৰূপ ধাৰাণকাৰীৰ ডিঙিৰ ওপৰত ৰাখি কলে, "এতিয়া কোৱা, তুমি কোন আৰু তোমাৰ নাম কি? তুমি আমাৰ বশ্যতা স্বীকাৰ, নহলে তোমাৰ ডিঙি কাটি দিম ।"

তেতিয়া ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰীয়ে কলে, "হে মানৱ, তোমাৰ সাহসক প্ৰশংসা

কৰিছো ।" জয়শীলে তেওঁৰ ডিঙিটো জোৰেৰে লৰাই দি কলে, "হেই নকলী ঘঁৰিয়াল, কোৱা, তোমাৰ নাম কি? তুমি বশ্যতা স্বীকাৰ কৰা আৰু মোৰ লগে লগে হিৰণ্যপুৰৰ ৰজা কনকাক্ষৰ ওচৰলৈকে বলা। তুমি ৰজাৰ আগত কব লাগিব তেওঁৰ পুত্ৰ কন্যাক ক'ত লুকাই ৰাখিছা ।"

"মোৰ নাম মকৰকেতু । ৰজাৰ পুত্ৰ কন্যা ক'ত আছে সেইটো কথা কোৱাৰ কাৰণে তেওঁৰ ওচৰলৈ যোৱাৰ কিহৰ আৱশ্যক । সেই কথা তোমালোকৰ আগত ইয়াতে কও বাৰু ।" ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰীয়ে কলে।

জয়শীলে পুনৰ মকৰকেতুক কলে, "মোৰ আগত কোৱাৰ কোনো আৱশ্যক নাই। যি কবৰ আছে ৰজাৰ আগত কবা । তোমাৰ হাতীটোক হিৰণ্যপুৰৰ ফালে যাবলৈ

নিৰ্দেশ দিয়া । বাটতে যদি পলাই যাবলৈ চেষ্টা কৰা, তেতিয়াহলে জানি লবা তোমাৰ ডিঙি আৰু মোৰ তৰোৱাল ।”

মকৰকেতুৱে জয়শীলৰ আদেশ মানি কোনো মাতবোল মকৰাকৈ হাতীৰ পিঠিত উঠি আগবাঢ়ি গৈ থাকিল । সিদ্ধসাধকে হাতীটোৰ ওচৰলৈ দৌৰি আহি কলে, “জয়শীল, মোকো তোমাৰ লগত লৈ বলা । অলপ হাতখন আগবঢ়াই দিয়া মইয়ো হাতীত উঠো ।”

জয়শীলে সিদ্ধসাধকক হাতীৰ ওপৰত তুলি ললে । হাতীটো আগবাঢ়িব ধৰোতেই বীৰ আৰু চৰকাচাৰীয়ে হাত তালি বজাই কলে, “মহাশয়, অলপ ৰব । আমাৰ গাওঁখন তেনেই ওচৰতে । পিছে গাঁৱলৈ যাবলৈ হলে এই ভয়ঙ্কৰ অৰণ্যৰ মাজেৰে যাব লগিব । ইয়াত বাঘ, সিংহ তথা আৰু বহুতো হিংস্ৰ জন্তু আছে । আমি খোজকাঢ়ি গৈ থাকোতে যদি কোনো জন্তুৱে আক্ৰমণ কৰে?”

“ভয় কৰিব নালাগে । ইয়াত তোমালোকক কোনেও একো কৰিব নোৱাৰে। এই দুষ্টক চিকিৎসা কৰাত তোমালোক লাগি আছিলা, সেয়েহে আমাৰ হাতলৈ আহিল । তোমালোকক ৰক্ষা কৰা আমাৰ কৰ্ত্তব্য । হাতী লাহে লাহে গৈ থাকিব। তোমালোক পিছে পিছে আহি থাকা ।” জয়শীলে কলে ।

তাৰ পাছত তেওঁলোক হিৰণ্যপুৰ অভিমুখে আগবাঢ়িল । অলপ সময় যোৱাৰ পিছতে চৰকাচাৰীয়ে মাত লগালে, “প্ৰভু জয়শীল, মোৰ এক অনুৰোধ আছে ।”

পিছলৈ ঘূৰি চাই জয়শীলে কলে, “কোৱা তোমাৰ কি অনুৰোধ আছে ।”

আজি ৰাতিপুৱাৰ পৰাই এই ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰীৰ চিকিৎসা কৰাৰ যত্নতে লাগি আছো । আন কাৰোবাৰ পেটত তৰোৱাল সোমালে কিছু সময়ৰ পিছতেই মৃত্যু হলহেতেন । কিন্তু এই প্ৰাণীটোৱে পেটত সোমোৱা তৰোৱালখন লৈয়ে ঘূৰি আছে । মই তেওঁৰ নাড়ি পৰীক্ষা কৰিছো । তেওঁৰ শৰীৰত প্ৰবাহিত হোৱা ৰক্ত শীতল । তেওঁক মোৰ কোনোবা জলজ জীৱ যেন অনুমান হয়।”

তাৰমানে তুমি এওঁক ভেকুলী জাতীয় জীৱ বুলি কব বিচাৰিছা, যিয়ে পানীতো থাকিব পাৰে আৰু বামতো থাকিব পাৰে । কনকাক্ষ ৰজাৰ সৈতে এওঁৰ কাম শেষ হলেই এই ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰীক আৰু হাতীটোক তোমালোকক গটাই দিম ।

তেতিয়া যিবোৰ বৈদ্য সম্বন্ধীয় কৰিব লগা কাম আছে সেইবোৰ কৰি লবা ।" জয়শীলে কলে।

তেওঁলোকৰ কথা শুনি মকৰকেতুৱে দাঁত কৰচি উঠিল । তেতিয়া জয়শীলে তৰোৱালখন ডিঙিত লগাই দি কলে, "মকৰকেতু, সাৱধান! বেচি তেৰিমেৰি কৰিলে, তোমাৰ ডিঙিৰ পৰা মূৰটো উৰি যাব।"

হঠাতে এপাত বাণ আহি মকৰকেতুৰ গাত লাগিল । জয়শীল আৰু সিদ্ধসাধক চকখ ই উঠিল । জয়শীলে মূৰটো দাঙি ইফালে সিফালে চাই থাকোতে হঠাতে এক অট্টহাঁহি শুনিবলৈ পালে, "হে ঘঁৰিয়ালৰ নেজ । মই যিটো বনৰীয়া মুগীক বাণ মাৰি মাৰিছিলো তই সেইটো চুৰি কৰি লৈ গৈছ । চাবি, এই বাণ এতিয়া তোৰ বুকুত সোমাব ।"

জয়শীল আৰু সিদ্ধসাধকে এই কণ্ঠস্বৰ চিনিব পাৰিলে । সেইজন ভীল ভীমৰ বাহিৰে আন কোনো নহয় । সিদ্ধসাধকে মন্ত্ৰদণ্ডডাল ভীলটোৰ ফালে দাঙি কলে, "হে ভীল ভীম, আৰু যদি এপাত বাণ মাৰা তোমাক মহাকালীৰ আহাৰ কৰি দিম । গছৰ পৰা নামি আহা ।"

"কোন? তুমি! ৰজাৰ ভূতবৈদ্য?" ভীমে চিঞৰি উঠিল ।

"মই ভূতবৈদ্য নহয় । মই এজন তান্ত্রিক, সিদ্ধসাধক । মনে মনে গছৰ পৰা নামি আহা, নহলে মন্ত্র মাতিম । তেতিয়া গছৰ ডালবোৰত জুই লাগি যাব আৰু সেই জুইত পুৰি তুমি ছাই হৈ যাবা ।" সিদ্ধসাধকে কলে।

"মোৰ গাত বাণ নিক্ষেপ কৰাজন ভীল ভীম নেকি? মই মায়া সৰোবৰৰ অধিপতি, আৰু আজি মোৰ এই দুৰ্দশা । বাঃ সময়ৰ কি নিষ্ঠুৰ পৰিহাস । মোৰ হাতীটোৱে এতিয়াই গছডাল খুন্দিয়াই দিব । সি তলত সৰি পৰাৰ লগে লগে হাতীয়ে তাক ঠানবান কৰি দিব।" এইবুলি কৈ মকৰকেতুৱে হাতীটোক গছডালৰ ওচৰলৈ লৈ গ'ল ।

জয়শীলে মকৰকেতুক এনে কৰাৰ পৰা বাধা দিব খুজিছিল । কিন্তু হাতীটোৱে ইতিমধ্যে গৈ গছডালত জোৰে খুন্দিয়াই দিছিল, যিডাল গছত ভীম বহি আছিল । গছডাল মৰমৰকৈ ভাঙি পৰিল আৰু তাৰ ডালত বহি থকা ভীমে জোৰেৰে আৰ্ত্তনাদ কৰি উঠিল । **(আগলৈ)**



# লাখ টকা মূল্যৰ পাথৰ

মাধৱ এজন বিশ বছৰীয়া যুৱক । তেওঁ বৰ দুখীয়া । গোটেই দিনটো খেতি পথাৰত কাম কৰিও খাবলৈ নোজোৰে । তেওঁতকৈ বেচি উপাৰ্জন কৰা মানুহক দেখি তেওঁৰ ঈৰ্ষা হৈছিল ।

এদিন পুখুৰীৰ পাৰত বহি থকা সন্ন্যাসী এজনৰ লগত মাধৱৰ দেখা হল । তেওঁ মাধৱক সুধিলে, " কি কথা ? তোমাক খুব বিমৰ্ষ যেন লাগিছে ?"

মাধৱে সন্ন্যাসীৰ আগত মনৰ সকলো কথা কলে, "মই যিমান পৰিশ্ৰম কৰো, সিমান ফল পাবলৈ মই ইচ্ছা কৰো, কিন্তু নিমিলে ।"

"এই জগতত যিয়ে যিমান পৰিশ্ৰম কৰে তেওঁ সিমানেই ফল পায় । ইয়াকে লৈ তুমি ইমান চিন্তিত কিয় ?" সন্ন্যাসীয়ে সুধিলে ।

"ক্ষমা কৰিব প্ৰভু ! আপোনাৰ এই মত ভুল । ভগবানে সকলো লোককে পৰিশ্ৰম অনুসৰি ফল নিদিয়ে ।" মাধৱে কলে ।

অলপ সময় চিন্তা কৰি সন্ন্যাসীয়ে কলে, " এই বিষয়ে মোৰ জনা নাই । তোমাৰ যদি ইয়াৰ সপক্ষে কিবা প্ৰমাণ আছে কব পাৰা।"

"এই গাঁৱত গৰ্গ নামৰ এজন পণ্ডিত আছে । তেওঁ অতি সাধাৰণ জীৱন যাপন কৰে । তেওঁৰে এজন শিষ্য ভাৰ্গৱে ৰাজদৰবাৰত কাম কৰে । ভাৰ্গৱে অতি বৈভৱপূৰ্ণ জীৱন যাপন কৰে ।" মাধৱে এক প্ৰমান দাঙি ধৰিলে ।

গৰ্গই বাৰু ৰাজদৰবাৰলৈ যোৱাৰ চেষ্টা কৰিছিলনে ?" সন্ন্যাসীয়ে সুধিলে । "নাই, তেওঁৰ এই গাওঁ এৰি যোৱাৰ ইচ্ছা নাই ।" মাধৱে কলে ।

"দেখিলানে,যিয়ে যিমান পৰিশ্ৰম কৰে সিমানহে ফল পায় ।" সন্ন্যাসীয়ে কলে ।

"প্ৰভু, এই জগতত মোৰ নিচিনা মানুহক অন্যায় কৰা হৈছে । আপুনি এই সম্বন্ধে একো চিন্তাও কৰা নাই । একে সমান পৰিশ্ৰম কৰাৰ পিছতো অৱস্থাবান লোকৰ হে কপাল ফুলে।" ভাগ্যবানে অভাগ্যবানক ইয়াৰ ভাগ

শিৱানন্দ

নিদিয়ে । মাধৱে কলে ।

মাধৱৰ ওপৰত সন্ন্যাসীৰ দয়া উপজিল । তেওঁ মোনাখনৰ পৰা বিচাৰি পাথৰ এটা মাধৱৰ হাতত দি কলে, " এই টুকুৰা অতি মূল্যবান হীৰা । ইয়াৰ মূল্য লক্ষ মুদ্ৰা হব । ইয়াৰ সুবিধা লাভ কৰা আৰু আৰামেৰে জীৱন কটোৱা ।"

মাধৱে পাথৰটো লৈ সন্ন্যাসীক প্ৰণাম কৰি গুচি গল । এবছৰ পিছত সন্ন্যাসীয়ে মাধৱক লগ ধৰিবলৈ আহিল ।এতিয়া মাধৱৰ অৱস্থাৰ পৰিবৰ্তন হৈছে । এতিয়া তেওঁৰ ধুনীয়া ঘৰ আছে, সুন্দৰী পত্নী আছে,কাম কৰা চাকৰ -নাকৰ আছে ।তেওঁৰ ঘৰত সদায় আনন্দ উৎসৱ চলিয়ে থাকে ।

সন্ন্যাসীক দেখিয়েই মাধৱে প্ৰণাম কৰি কলে," প্ৰভু, আপোনাৰ দয়াৰ কাৰণেহে মই আজি সুখৰ জীৱন কটাব পাৰিছো ।"

"হয়, এয়াতো মই নিজ চকুৰেই দেখিব পাৰিছো ।ভাগ্যই তোমাক লগ দিছে ।মই বাৰু জানিব পাৰোনে তুমি কিমানৰ সৈতে এই ভাগ্য ভাগ কৰিছা ? তোমাৰ ইয়াত যিসকলে কাম কৰি আছে তেওঁলোকৰ কাৰোবাক তুমি ঘৰ অথবা খেতিৰ মাটি কিনি দিছানে ?এটা কথা জানিবলৈ মোৰ খুব ইচ্ছা গৈছে ।" সন্ন্যাসীয়ে কলে ।

কথা শুনি মাধৱৰ মুখখন কলা পৰি গল। তথাপি কথা ঘুৰাই কলে,"আপুনি মোক লাখ টকা মূল্যৰ পাথৰ দিছে। জীৱনত সুখ ভোগ কৰাৰ কাৰণে মই লালায়িত আছিলো। ভাগ্যৰ বলত তাকে পাই উপভোগ কৰিছো । অন্যৰ কাৰণে মই কিয় চিন্তা কৰিম? ইয়াৰ কি আৱশ্যক?"

তুমি বৰ স্বাৰ্থপৰ ।যেতিয়া তোমাৰ একো নাছিল তেতিয়া তুমি বিচাৰিছিলা যে সকলোৱে তোমাৰ কাৰণে ভাৱক। তেওঁ লোকে তোমাৰ সৈতে ভাগ্যৰ ফল বিতৰণ



কৰিব। এতিয়া যিহেতু তোমাৰ অৱস্থা ভাল হৈছে, তুমি কাৰো সম্বন্ধে চিন্তা কৰিব নোখোজা। তোমাৰ ভাগ্য ফল বিতৰণ কৰিব নোখোজা। এই মুহূৰ্ত্তৰ পৰা তোমাৰ ভাগ্য তোমাৰ পৰা চিন্ন হৈ যাব।" সন্ন্যাসীয়ে নিজৰ সিদ্ধান্তৰ কথা কলে।

প্ৰভু, দয়া কৰি এইটো নকৰিব। বৈভৱবিনে মই জীয়াই থাকিব নোৱাৰিম। মোৰ ভুল হৈছে। আপুনি যি কয় মই তাকে শুনিম।" অনুনয় কৰি মাধৱে কলে।

সন্ন্যাসীয়ে মাধৱৰ কথা নুশুনিলে। ঠিক সেই সময়তে এজন গহনাৰ তালৈকে আহি কলে, "মাধৱ, তুমি যি দিছিলা সেয়া হীৰা নহয় পাথৰ হে। তাৰ মূল্য এটকাও নহয়। তোমাৰ পাথৰ তোমাক দিলো। মোৰ লাখ টকা মোক ওভতাই দিয়া।"

চাওঁতে চাওঁতে মাধৱৰ সকলো সম্পত্তি শেষ হৈ গল। তেওঁ যেতিয়া অকলশৰীয়া হল তেতিয়া সন্ন্যাসীয়ে তেওঁক সান্তনা দি কলে, "মাধৱ ভাগ্যই যেতিয়া তোমাৰ লগ লব, তেতিয়া তুমি কি কৰিবা এইটো প্ৰমাণিত হৈ গল। যি হল এয়া ভ্ৰম মাথোঁ। চিন্তা নকৰিবা। জীয়াই থাকিবলৈ যিবোৰ কৰণীয় কাম সেইবোৰ কৰি যোৱা। মূৰ দাঙি জীয়াই থাকিবলৈ শিকা। তোমাৰ যি আছে তাতেই সন্তুষ্ট থাকিবা।"

"প্ৰভু, এতিয়াহে মোৰ ভাল জ্ঞান হৈছে। মোক সেই মূল্যবান পাথৰটো দিয়ক। ভৱিষ্যতলৈ তাৰ সৎ ব্যৱহাৰ কৰিম।" হাত-যোৰ কৰি মাধৱে কলে।

সন্ন্যাসীয়ে হাঁহি মাৰি কলে, "এতিয়াও তুমি বুজিব পৰা নাই? মোৰ হাতত যিটো পাথৰ আছে তুমি যদি বিচৰা সেইটো লাখ টকা মূল্যৰ, নহলে তাৰ কোনো মূল্য নাই। যেতিয়া তুমি মোক পুখুৰীৰ পাৰত লগ পাইছিলা, তেতিয়া খেতি পথাৰত কাম কৰিছিলা। তোমাৰ যদি সহন শক্তি আৰু আগ্ৰহ আছে তেনেহলে ওচৰ পাজৰৰ পতিত মাটিবোৰ খেতিৰ উপযোগী কৰি লব পাৰা। ধৰণীৰ ওপৰত বিশ্বাস থকা কাৰণেহে ফচল হয়। ধৰণীয়ে হল সত্য। তুমি যাক বৈভৱ বুলি ভাবা সি অলীক সপোন মাথোঁ।" ইয়াকে কৈ সন্ন্যাসীয়ে মাধৱক আশীৰ্বাদ দি তাৰপৰা গুচি গল।

# মাধৱৰ মহিমা

দৃঢ় প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল । গছৰ পৰা মৰাশটো নমাই আনি কান্ধত পেলাই লৈ শ্মশানৰ ফালে আগবাঢ়ি যাবলৈ ধৰিলে । তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, এই ঘোৰ অন্ধকাৰ ৰাতি কলৈ গৈ আছা? কি কৰিব বিচাৰিছা? এই ভয়ানক শ্মশানত যিকোনো মুহূৰ্ত্তত যিকোনো ঘটনা ঘটিব পাৰে । যদি তুমি বিশ্বাস কৰা যিকোনো লক্ষ্যত উপনিত হবলৈ কঠোৰ পৰিশ্ৰমেই একমাত্ৰ পথ, তেতিয়াহলে মই কও যে এই ধাৰণা তোমাৰ সম্পূৰ্ণ ভুল । উদাহৰণস্বৰূপে মই মাধৱৰ কথাই কব বিচাৰিছো । তেওঁ

এজন সাধাৰণ মানুহ । কিন্তু তেওঁ কোনো কষ্ট নকৰাকৈ বা ভগবানৰ বৰ নোপোৱাকৈয়ে নিজৰ মহিমা প্ৰদৰ্শন কৰিছে । এই মহিমা মণ্ডিত মাধৱকো মন্ত্ৰীয়ে এদিন দুষ্ট অজ্ঞানী বুলি কৈছে । তুমি নিজকে শুধৰোৱাৰ কাৰণে মই মাধৱৰ কাহিনী কম মন দি শুনিবা ।

মাধৱ এজন সাধাৰণ মানুহ হলেও গাঁৱত তেওঁৰ ভাল নাম আছে । তেওঁৰ পত্নী, এজন পুত্ৰ আৰু এজনী কন্যাক লৈয়ে তেওঁৰ পৰিয়ালটো । তেওঁৰ পাৰিবাৰিক জীৱন ভালদৰেই পাৰ হৈছিল ।

এদিন মাধৱ সপৰিয়ালে ৰাজধানী চাবলৈ ওলাই গৈছিল । বাটত তেওঁলোকে এখন হাবি পাইছিল । সেই হাবিৰ মাজেৰে গৈ থাকোতে এটা বাঘে মাধৱক হঠাতে আক্ৰমণ কৰিলে । অতি কষ্টেৰে মাধৱে নিজকে ৰক্ষা কৰিব পাৰিলেও বাঘটোৱে তেওঁৰ পত্নী আৰু পুত্ৰ কন্যাক মাৰি পেলালে ।

এই আকস্মিক ঘটনাত মাধৱৰ মনত বহুত দুখ লাগিল । তেওঁ গাঁৱলৈ ঘূৰি আহি ঘৰ-বাৰী, মাটি-সম্পত্তি সকলো বিক্ৰী কৰি অইন এখন গাঁৱলৈ গুচি গ'ল । সেই গাঁৱত সুদৰ্শন নামৰ তেওঁৰ এজন দূৰ সম্পৰ্কীয় আত্মীয় আছিল । সুদৰ্শনে মাধৱকে নিজৰ ঘৰত আশ্ৰয় দিলে । ইয়াৰ এটা কাৰণ আছে।

সুদৰ্শনৰ ব্যৱহাৰ অতি ভদ্ৰ । তেওঁ এজন চালাক-চতুৰ লোক । অলপ টকাৰ কাৰণেও মিছা মাতিবলৈ তেওঁ সংকোচ নকৰিছিল । তেওঁ জানিছিল মাধৱৰ হাতত বহুত ধন আছে, কোনোবা নহয় কোনোবা এদিন সেই ধন তেওঁ নিজৰ কৰি লব । মাধৱৰ ধনখিনি হাতলৈ আহিলেই কেনেদৰে মাধৱক খেদি দিব তাৰো পৰিকল্পনা তেওঁ কৰি ৰাখিছে ।

এইদৰে কিছুদিন থাকোতে মাধৱ সেই গাঁৱৰ মানুহৰ প্ৰিয়পাত্ৰ হৈ উঠিল । আৱশ্যক মতে তেওঁ আৰ্থিক ভাবেও মানুহক সহায় কৰে। গাঁৱৰ মানুহৰ মাজত মাধৱৰ সুনাম বাঢ়ি গ'ল ।

এদিন সেই গাঁৱৰে ভীম নামৰ মানুহৰ ঘৰত চুৰি হ'ল । তেওঁ বহুত কষ্ট কৰি আলপ টকা জমা কৰিছিল । কিন্তু চোৰে সকলোখিনি লৈ গ'ল । সেই গাঁৱৰে মহাজনক ভীমে কিছু টকা দিবলৈ আছিল । মহাজনে কবলৈ ধৰিলে যদি তুমি টকা দিব নোৱাৰা তোমাৰ ঘৰ নীলাম কৰি দিম । মাধৱৰ আগত তেওঁ এইবোৰ কথা খুব দুখেৰে কলে ।

"মই তোমাক ধাৰ পৰিশোধত সহায় কৰিম বাৰু । কিন্তু যিয়ে তোমাৰ এই পৰিশ্ৰমৰ

টকা চুৰি কৰি নিছে তাৰো ভাল নহব । যি হাতেৰে টকা চুৰি কৰিছে সেই হাত ভাঙিব আৰু সেই টকা তাৰ অন্তেষ্টিক্ৰিয়াত লাগিব।” ইয়াকে কৈ মাধৱে ভীমক টকা দি বিদায় দিলে ।

ইয়াৰ পিছত এক আচৰিত ঘটনা ঘটিল। ভীমৰ টকা যিয়ে চুৰি কৰিছিল সেইজন তেওঁৰে চুবুৰীৰ লোক নাৰায়ণ আছিল । সেইদিনা সন্ধিয়া নাৰায়ণে তেওঁৰ বলধহাল গোহালিত বন্ধিবলৈ যাওঁতে এটা বলধে শিঙেৰে খুচি তাক পেলাই দিলে । লগতে তাৰ হাত দুখনো ভাঙিল । সেই সময়তে কিবা কামত সুদৰ্শন সিহঁতৰ তালৈ আহিছিল। এই ঘটনা দেখি সুদৰ্শনে কলে, “নাৰায়ণ, সেই দিনা মাধৱে শাপ দিছিল যে যিয়ে ভীমৰ টকা চুৰি কৰিছে তাৰ হাতদুখন ভাঙি যাব আৰু সেই টকা তাৰ অন্তেষ্টি ক্ৰিয়াত লাগিব । তেওঁৰ বাক্যৰ অদ্ভুত শক্তি। ই বিফলে নাযায় । তোমাৰ হাত ভঙা কাৰণে মোৰ বিশ্বাস হৈছে তুমিয়ে ভীমৰ টকা চুৰি কৰিছা । তুমি ভীমৰ টকা ওভতাই দিয়া নহলে মাধৱৰ শাপ মতে সেই টকা তোমাৰ অন্তেষ্টিক্ৰিয়াত খৰছ হব ।”

এই কথা শুনি নাৰায়নে ভয় ফালে । তৎক্ষণাত সি দোষ স্বীকাৰ কৰিলে আৰু ভীমৰ টকা ঘূৰাই দিলে । দোষী দোষী ভাবেৰে সি মাধৱৰ ওচৰলৈ গৈ শাপ ঘূৰাই লবলৈ মাধৱক অনুৰোধ কৰিলে ।

“কি কৈছা? মই তোমাক শাপ দিছো? ভীমৰ দুৰবস্থা দেখি সেইদিনা মই মুখত যি আহে তাকে বকিছিলো । তুমি দোষ স্বীকাৰ কৰিছা ভালেই হৈছে । চিন্তা নকৰিবা । দুদিনৰ ভিতৰতে তোমাৰ হাত ভাল হৈ যাব।” মাধৱে সহানুভূতি প্ৰকাশ কৰি তাৰ মনত সাহস দিলে ।

কিন্তু কি আচৰিত, দুদিনৰ ভিতৰতে নাৰায়নৰ হাত সম্পূৰ্ণ ভাল হৈ গ'ল ।

এই ঘটনাৰ সুযোগ লৈ সুদৰ্শনে গোটেই গাঁৱতে প্ৰচাৰ কৰি দিলে যে মাধৱৰ বাক্যৰ অমোঘ শক্তি আছে । কিন্তু মাধৱে নিজেই এই শক্তিৰ কথা নাজানে ।

গাঁৱৰ মানুহে যাতে মাধৱৰ শুভ বাক্যৰ ফল পায় আৰু অশুভ বাক্যৰ চিকাৰ নহয় তাৰ ব্যৱস্থা কৰিব বুলি কৈ সুদৰ্শনে মাধৱৰ অজ্ঞাতে মানুহৰ পৰা টকা লবলৈ ধৰিলে ।

মাধৱৰ ঘৰত প্ৰতিদিনে মানুহৰ ভিৰ বাঢ়িবলৈ ধৰিলে । অলপ দিনৰ পিছতে মাধৱে ইয়াৰ কাৰণ জানিব পাৰিলে । তেওঁৰ নাম কৈ সুদৰ্শনে যে মানুহক ঠগিছে আৰু

নিজে সুবিধা ভোগ কৰিছে তাকে তেওঁ জানিব পাৰিলে । সুদৰ্শনৰ প্ৰতি তেওঁৰ ঘৃণা উপজিল আৰু এদিন ৰাতি তেওঁ সেই গাওঁ এৰি গুচি গ'ল ।

মাধৱে নিজেই নাজানিছিল কলৈ যাব । এইদৰে গৈ থাকোতে ৰাতি পুৱাল । তেওঁৰ খুব ভোক লাগিল । ওচৰে পাজৰে কোনো মানুহো নাই । তেওঁ মনে মনে ভাবিলে এই সময়ত কোনোবা মানুহ আহি যদি মোক তেওঁৰ ঘৰলৈ লৈ গৈ ভাল আহাৰ খাবলৈ দিয়ে কিমান যে ভাল লাগিব ।

ঠিক সেই সময়তে এখন ঘোঁৰা গাড়ী আহি তাত ৰ'ল । গাড়ীৰ মালিকজনে মাধৱক গাড়ীত তুলি ঘৰলৈ লৈ গ'ল । তাৰ পাছত তেওঁক সুস্বাদু আহাৰ খাবলৈ দিলে ।

এয়া সপোন নে দিঠক মাধৱে ধৰিবই নোৱাৰিলে । তেওঁ ঘৰৰ মালিক, ধনবানৰ আগত সকলো কথা কলে ।

ধনবানেও আচৰিত হৈ কলে, "মোৰো আপোনাৰ গাত মহিমা থকা যেন লাগে । পোন্ধৰ বছৰীয়া মোৰ ল'ৰাটো চাৰি বছৰৰ পৰাই ৰোগগ্ৰস্ত হৈ আছে । সি কথা কবও নোৱাৰে । তাৰ কি হৈছে কোনো বৈদ্যই এতিয়ালৈকে ধৰিব পৰা নাই । আপোনাৰ মহিমাৰে তাক ভাল কৰি দিয়ক ।

এতিয়াহে মাধৱৰ নিজৰ শক্তিৰ ওপৰত বিশ্বাস হবলৈ ধৰিলে । তেওঁ ধনবানৰ পুতেকৰ দেহত হাতখন ৰাখি কলে, "পোন্ধৰ দিনৰ ভিতৰতে তুমি ভাল হৈ উঠিবা ।"

এই ঘটনাৰ চাৰিদিন পিছতে এজন বৈদ্যই আহি ধনবানক লগ ধৰি কলে, "আপোনাৰ ল'ৰাৰ বেমাৰৰ বিষয়ে মই শুনিবলৈ পাইছো। মোৰ লগত সেই বেমাৰৰ ঔষধ আছে । দহদিনৰ ভিতৰতে তাক মই ভাল কৰি তুলিম ।"

বৈদ্যৰ কথাই সঁচা হ'ল । ল'ৰাজন



সম্পূৰ্ণ আৰোগ্য হৈ উঠিল । তেতিয়াৰ পৰা মাধৱৰ আদৰ আৰু বাঢ়ি গ'ল । সকলোৰে বিশ্বাস হ'ল যে তেওঁৰ কথা অব্যৰ্থ । মাধৱৰো আত্মবিশ্বাস বাঢ়ি গ'ল ।

মাধৱে এদিন নদীৰ পাৰলৈ ফুৰিবলৈ গৈছিল । এজনী তিৰোতাই নদীত কাপোৰ ধুই আছিল আৰু তেওঁৰ দহ বছৰীয়া পুতেকটোৱে ইফালে সিফালে শিল দলিয়াই আছিল । হঠাতে এটা শিল আহি মাধৱৰ মূৰত পৰাত মাধৱে বিষতে চিঞৰ মাৰি দিলে । ল'ৰাটোৱেও ভয়তে নদীত জাঁপ মাৰি পৰিল। ল'ৰাটোৱে সাঁতুৰিব নাজানে । সেয়েহে তিৰোতাজনীয়ে মাধৱক কাকুতি কৰি কলে, "ডাঙৰীয়া আপোনাৰ শাপৰ কাৰণে মোৰ ল'ৰাটো নদীত পৰিল । সি সাঁতুৰিব নাজানে। তাক ৰক্ষা কৰক ।

মাধৱে তিৰোতাজনীক অভয় দি কলে, "ভয় নাখাবা । তোমাৰ পুত্ৰই সাঁতুৰি আহি পাৰ পাব ।"

মাধৱৰ কথা শেষ নহওতে ল'ৰাটোৱে সাঁতুৰি আহি পাৰ পালে । তিৰোতাজনীয়ে তেতিয়া মাধৱৰ ভৰিত পৰি কলে, "প্ৰভু, আপুনি কোনো সাধাৰণ মানুহ নহয় । মোক ইয়াকে আশীৰ্বাদ দিয়ক আমাৰ ঘৰটো যেন সোনেৰে ভৰি পৰে আৰু ল'ৰাটোৱে পঢ়া শুনা কৰিব পাৰে ।"

"চাওক, ধন আৰু শিক্ষা মানুহে পৰিশ্ৰম কৰিহে লাভ কৰিব পাৰে । তাক বৰ হিচাবে লাভ কৰিব নোৱাৰি ।" ইয়াকে কৈ মাধৱ তাৰপৰা গুচি গ'ল ।

ঠিক সেই সময়তে ছদ্মবেশ ধৰি ঘূৰি ফুৰা সেই দেশৰ ৰজাই তাত গৈ উপস্থিত হৈছিল

আৰু নিজ চকুৰে মাধৱৰ কাৰ্য্য দেখিছিল । তাৰ পাছত তেওঁ মানুহক সুধি মাধৱৰ বিষয়ে জানিব পাৰিলে । ৰজাই ৰাজধানীলৈ গৈয়ে মাধৱক মাতি পঠালে আৰু মন্ত্ৰীৰ লগত তেওঁক পৰিচয় কৰাই দিলে ।

তাৰপাছত ৰজাই মাধৱৰ বাকশক্তিৰ মহিমাৰ কথা কৈ মন্ত্ৰীক কলে, "এওঁৰ মহিমাৰ আধাৰত আমাৰ সভাসদসকলক বেচি পটু কৰিব খোজো আৰু শত্ৰু দেশৰ ওপৰত জয় লাভ কৰাৰ ইচ্ছা ৰাখিছো । আপোনাৰ মতামত কি?

মন্ত্ৰীয়ে তেতিয়া কলে, "মহাৰাজ, মাধৱে নিজৰ মহিমাৰে একো নতুন কাম কৰি দেখুৱা নাই । ভীমৰ প্ৰতি কৰা অন্যায় দেখি তেওঁ সহানুভূতি দেখুৱাই কৈছিল যে চোৰৰ হাত ভাঙিব । সংযোগ বশতঃ বলধৰ শিঙৰ খোচত নাৰায়ণৰ হাত ভাঙিছিল । সেইদৰে

ভোকত তৎ নাপাই খাদ্যৰ কথা ভাবোতেই সংযোগ বশতঃ ধনবানে আহি লৈ গৈ তেওঁক খাবলৈ দিছিল । ৰুগীয়া ল'ৰটোও বৈদ্যৰ ঔষধৰ দ্বাৰাহে ভাল হৈছে । এনেদৰে যিবোৰ ঘটনা হৈছে সকলোবোৰ সংযোগ বশতঃ হৈছে ।

মন্ত্ৰীৰ কথা শুনি ৰজাই অলপ ভাবি কলে, "মাধৱৰ মহিমাবোৰ কামত লগাই তাৰপৰা উচিত ফল পালেতো ভালেই, যদি কোনো ফলো নাপাওঁ তাৰপৰা আমাৰ কোনো লোকচান নহয় ।"

মন্ত্ৰীয়ে কলে, "মহাৰাজ, আমি অন্ধবিশ্বাসক প্ৰশ্ৰয় দিয়া উচিত নহয় । ইয়াক মনাতো অবিবেকিৰ লক্ষণ । আৰু মাধৱেও যদি নিজকে ভাবি আছে যে তেওঁ এজন মহিমাবান লোক, তেতিয়াহলে তেওঁতকৈ মুৰ্খ আৰু আজ্ঞানী লোক কোনো নোলাব । আপুনি নিজেই জানে কিজানি মাধৱৰ পত্নী আৰু পুত্ৰ-কন্যাৰ কেনেদৰে মৃত্যু হৈছে?"

মন্ত্ৰীৰ কথা শুনি ৰজাই কলে, "আপুনি সঠিক সময়ত সোঁৱৰাই দিয়া কাৰণে ভালেই হ'ল ।" এইবুলি কৈ ৰজাই মন্ত্ৰীক প্ৰশংসা কৰিলে । তাৰপাছত মাধৱক মাতি আনি অসন্মানে গাঁৱলৈ পঠাই দিলে ।

কাহিনী শেষ হোৱাৰ পিছত বেতালে ৰজাক সুধিলে, "ৰাজন, মাধৱৰ মহিমা আছে নে নাই মই কব নোৱাৰো, কিন্তু তেওঁৰ বাক্যৰ যে এক শক্তি আছে সেইটো সঁচা । বহুতো ঘটনাৰ পৰা এইটো প্ৰমাণিতও হৈছে। তুমি কব খোজা নেকি, এইবোৰ সংযোগ-বশতঃ হৈছে। মাধৱ এজন ভাল মানুহ । তেওঁ কাৰো বেয়া হোৱাতো নিবিচাৰে । কিন্তু এনে এজন ভাল মানুহক মন্ত্ৰীয়ে অজ্ঞানী বুলি কিয় কলে? এই প্ৰশ্নৰ উত্তৰ জানিও যদি তুমি মনে মনে থকা তোমাৰ মূৰটো টুকুৰা-টুকৰ হৈ যাব ।"

তেতিয়া ৰজা বিক্ৰমে কলে, "মাধৱে নিজৰ পত্নী আৰু পুত্ৰ-কন্যাক বৰ ভাল পাইছিল । কিন্তু বাঘৰ হাতৰ পৰা তেওঁ-লোকক ৰক্ষা কৰিব নোৱাৰিলে । এইটোৱে ইয়াকে বুজাই যে তেওঁৰ কোনো মহিমাই নাই। মন্ত্ৰীয়ে তেওঁৰ তাৰ্কিক বুদ্ধিৰে এই তথ্যই দাঙি ধৰিছে । ৰজাৰো এই যুক্তিটো মনত লাগিছে। সেয়েহে তেওঁ ৰাজ দৰবাৰত মাধৱক নিযুক্ত নকৰি সন্মান সহকাৰে গাঁৱলৈ পঠাই দিলে ।"

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ বেতালে শটোৰে সৈতে অদৃশ্য হৈ গ'ল আৰু গছৰ ডালত গৈ ওলমি থাকিল ।

- কস্তুৰীৰ ৰচনাৰ আধাৰত

## ভাৰতৰ পৌৰাণিক উপাখ্যান - ৪

# ৰাজকুমাৰীয়ে সন্মুখীন হোৱা এক প্ৰত্যাহ্বান

হাবিৰ মাজৰ সৰোবৰটোলৈ এক শান্ত সন্ধিয়া নামি আহিছিল । এইটো আছিল বসন্তকাল । ৰজা সৰ্য্যতি আৰু ৰাণীয়ে বতাহত ভাহি অহা ফুলৰ সুঘ্ৰান লৈ সৰোবৰৰ পাৰত বহি আছিল । তেওঁলোকৰ জীয়ৰী সুকন্যাই পাখিলাহি পখিলাৰ সতে খেলি আছিল । বহুদিনৰ মূৰত এইদৰে খেলিব পাই সুকন্যাৰ মনত আনন্দ লাগিছিল। তাই পৰিচাৰিকাজনীৰ ওচৰৰ পৰা গৈ হৰিণা আৰু ময়ূৰৰ পিছে পিছে খেদি ফুৰিছিল ।

এইদৰে গৈ গৈ ৰাজকুমাৰী অতব্য হাবিৰ মাজত সোমাই পৰিছিল । “ৰাজকুমাৰী, তুমি ক’ত?” তাই পৰিচাৰিকাজনীয়ে মতা শুনিবলৈ পাইছিল । আন্ধাৰ লাহে লাহে নামি আহিছিল । এতিয়া ঘৰলৈ উভতিবৰ সময় হৈছে । তাই সৰোবৰৰ ফালে ঘূৰি আহি আছিল ।

হঠাতে কিহবাই তাইৰ চকুত চাটমাৰি ধৰা যেন পাইছিল । সেই দুটা উঁই হাফলুত লাগি থকা মণিৰ দৰে দেখা গৈছিল । ৰাজকুমাৰীয়ে গছৰ পৰা এডাল কাঁইট চিঙি আনি সেইদুটাত খোঁচ মাৰি দিছিলে, সেইদুটানো কি চাবলৈ বুলি ।

পিছ মুহূৰ্ত্ততে ৰাজকুমাৰীয়ে এটা চিঞৰ শুনিবলৈ পাইছিল । চিঞৰটো কৰপৰা আহিছে তাই জানিব পৰা নাছিল । তাই ভয় খাই সৰোবৰৰ ফালে দৌৰ মাৰিলে । সৰোবৰৰ আনটো পাৰে পৰ দি থকা ৰজাৰ পৰীয়াবোৰেও কিবা এক আচৰিত বেমাৰ হোৱা বুলি কবলৈ ধৰিলে । সিহঁতে লৰচৰ কৰিব নোৱাৰা হ’ল । দূৰদৃষ্টি অল্পগল্প ৰজাই বুজিব পাৰিলে তেওঁলোকৰ গাত অভিশাপ লাগিছে । এইটো কাৰ অভিশাপ হব পাৰে?

ৰজাই ইয়াৰ কাৰণ বিচাৰি চালে । তেওঁ উঁই হাফলুটোৰ ওচৰলৈ আহিল । তাত তেওঁ যন্ত্ৰনা কাঁতৰ চিঞৰ শুনিবলৈ পালে । তেতিয়াহে ৰজাই বুজিব পাৰিলে হাফলুটোৰ ভিতৰত এজন ঋষি আছে । ঋষিয়ে বহুদিন ধৰি একান্তমনে তপস্যা কৰি থাকোতে তেওঁৰ

চাৰিওফালে উঁয়ে মাটি তুলি হাফলু বান্ধিছিল।

ৰজা আৰু তেওঁৰ মানুহবোৰে অতি সাৱধানে মাটিবোৰ গুচাই দিয়াত ঋষিক দেখা গ'ল। ঋষিয়ে হাফলুৰ মাজৰ পৰা ওলাই চকু মেলিব খুজিলে। কিন্তু ৰাজকুমাৰীয়ে এক ডাঙৰ ভুল কৰিছিল । যি বস্তুদুটা ৰাজকুমাৰীয়ে কাঁইটেৰে ফুটাই দিছিল সেয়া আছিল ঋষিৰ চকু দুটা । সেয়েহে ঋষিৰ শাপত ৰজাৰ মানুহবোৰে সেই আচৰিত বেমাৰত পৰিছিল ।

সেইজনেই আছিল চ্যৱন ঋষি । ৰজা আৰু ৰাণীয়ে ঋষিৰ সন্মুখত দীঘল দি পৰি প্ৰণাম জনাই মানুহবোৰক শাপমুক্ত কৰি দিবলৈ প্ৰাৰ্থনা কৰিলে । তেতিয়া ঋষিয়ে তেওঁলোকক কৈছিল যে অপৰাধি জনে যদি যথাৰ্থ প্ৰায়চিত্ত কৰে তেতিয়াহলে নিজে নিজে শাপ মোচন হব ।

ৰজাই ঋষিক নিজৰ ঠাইলৈ লৈ যোৱাৰ কাৰণে প্ৰস্তাৱ দিলে, যাতে তেওঁক ভালদৰে শুশ্ৰুষা কৰিব পাৰে । কিন্তু ঋষি ৰজাৰ কথাত সন্মত নহ'ল । এতিয়া প্ৰায়শ্চিত্ত কৰিব লাগিব ৰাজকুমাৰীয়ে। যি ঋষিৰ তেওঁ চকুদুটা ফুটাই দিছিল সেই ঋষিক সেৱা কৰিবলৈ তেওঁ ঋষিৰ সৈতে হাবিৰ মাজত থাকিব লাগিব । কাৰণ এজনী পত্নীৰ মৰমৰ তেওঁৰ অতি আৱশ্যক ।

ৰজা আৰু ৰাণী বৰ বিমোৰত পৰিল । তেওঁলোকৰ মৰমৰ ছোৱালীজনীক কেনেকৈনো এজন বুঢ়া ঋষিৰ সৈতে বিয়া দিয়ে, যদিও তেওঁ এজন মহান ঋষি । কিন্তু ৰাজকুমাৰীয়ে নিজেই আগবাঢ়ি আহি ঋষিক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিলে । "পিতা মই সদায় নিঃসঙ্গ জীৱন ভাল পাওঁ । মই এজনী সন্ন্যাসিনীৰ জীৱন কটাবলৈ মনতে এক আশা পুহি ৰাখিছিলো । আজি মোৰ সেই আশা পূৰণ হোৱাৰ পথত । গতিকে ঋষিক বিবাহ কৰাবৰ কাৰণে মোক অনুমতি দিয়ক ।" ৰাজকুমাৰীয়ে মাক পিতাকক অনুৰোধ কৰিলে ।

ইতিমধ্যে ঋষিৰ শাপ আনৰ গাতো লাগিছিল । গতিকে ৰাজকুমাৰীৰ ইচ্ছাত সন্মতি জনোৱাৰ বাহিৰে ৰজা আৰু ৰাণীৰ আন উপায় আছিল । সুকন্যাই ঋষিক বিবাহ কৰালে । তেওঁ ৰাজকীয় ভোগ বিলাস ত্যাগ কৰি সাধাৰণ জীৱন যাপন কৰিবলৈ ললে । এতিয়া আৰু ৰাজকুমাৰীৰ আলপৈচান ধৰিবলৈ কোনো লিগিৰী নাই । তেওঁ ঋষিৰ লগতে থাকি স্বামীৰ সেৱাত ব্ৰতী হ'ল ।

এদিনাখন সুকন্যাই সৰোবৰত গাধুই ঘৰলৈ আহি থাকোতে দুজন ধুনীয়া যুৱকে বাটত তেওঁক আগচি ধৰিলে । দুয়োজন যুৱক দেখিবলৈ একেই । তেওঁলোকে সুকন্যাক সম্ভাষণ জনাই কলে, "হে সুন্দৰী, তুমি এজন

বুঢ়া মানুহৰ সৈতে জীৱন কটোৱা দেখি আমাৰ মনত খুব দুখ লাগিছে । আমি দুজন যমজ ভ্রাতৃ । আমাৰ নামো একে, অশ্বিনী-কুমাৰ। আমি দেৱতাসকলৰ চিকিৎসক। তুমি আমাৰ যিকোনো এজনকে স্বামী হিচাবে বৰণ কৰিব পাৰা । তেতিয়া তুমিও সুখী হবা ।"

এই কথা শুনি সুকন্যাৰ খুব খং উঠিল। তেওঁ দুই ভ্রাতৃক অভিশাপ দিব বুলি ভয় দেখুৱালে ।

তেতিয়া তেওঁলোকে নিজৰ ভুল স্বীকাৰ কৰি ক্ষমা খুজিলে । "আমি তোমাৰ পতিক আমাৰ গোপন চিকিৎসাৰ দ্বাৰা এজন ধুনীয়া যুৱকলৈ ৰূপান্তৰিত কৰি দিব পাৰো । তেওঁ চকুৰ দৃষ্টিশক্তিও ঘুৰাই পাব । ইয়াৰ কাৰণে তেওঁ আমাৰ লগত সৰোবৰত ডুব মাৰিব লাগিব । কিন্তু আমি পানীৰ পৰা ডুব দি উঠি অহাৰ পছিত তুমি এক পৰীক্ষাৰ সম্মুখীন হব লাগিব । তুমি সন্মত আছানে?"

সুকন্যাৰ ভুলৰ কাৰণেই তেওঁৰ পতিয়ে দৃষ্টিশক্তি হেৰুৱাইছে । এই দুখটো সুকন্যাৰ মনত সদায় আছিল । তেওঁৰ অশ্বিনী কুমাৰ ভ্রাতৃদ্বয়ৰ প্ৰস্তাৱৰ প্ৰতি সমৰ্থন আছিল । কিন্তু এইটো নিৰ্ভৰ কৰিব তেওঁৰ পতিৰ সন্মতিৰ ওপৰত । সুকন্যাই ঋষি চ্যাৱনৰ আগত সকলো কথা বিবৰি কলে । কিন্তু দুয়োজনেই জানিব পৰা নাছিল কি পৰীক্ষাৰ সন্মুখীন হব লাগিব । যিহওঁক, ঋষিয়ে সুকন্যাক অনুমতি দিলে ।

অশ্বিনী কুমাৰদ্বয় আৰু ঋষি সৰোবৰত প্ৰৱেশ কৰিলে । তাৰ পাছত অশ্বিনী কুমাৰে কলে, "আমি যেতিয়া ডুব মাৰি উঠি আহিম তুমি তোমাৰ পতিক হাতত ধৰি লৈ যাব লাগিব ।"

এইবুলি কৈ তিনিওজনে ডুব মাৰিলে । যেতিয়া তেওঁলোক ডুব মাৰি উঠি আহিল, তিনিওজনকে অবিকল একে দেখা গ'ল । কোনো মানুহৰ পক্ষে ঋষিক চিনি উলিয়াতো সম্ভব নহয় ।

কিন্তু সুকন্যাও কোনো সাধাৰণ তিৰোতা নহয় । তেওঁ দুই যুৱকৰ চালাকি বুজিব পাৰিলে । তাৰ পাছত তেওঁ স্বৰ্গীয় মাতৃক স্মৰণ কৰি চুকুমুদি এজনৰ হাতত ধৰিলে । কিন্তু কি আচৰিত, সেইজনেই তেওঁৰ পতি আছিল ।

সুকন্যা আৰু ঋষিয়ে ভগবানৰ পূজা সেৱা কৰি বহুদিন সুখেৰে কাল কটাইছিল ।

**-বিন্দুসাৰ**

# হাঁহিয়ে আচল সৌন্দৰ্য্য

শ্ৰীপুৰ গাঁৱত শ্ৰীধৰ নামৰ এজন অৱস্থাপন্ন লোক আছিল । তেওঁৰ ইমান সম্পত্তি আছিল যে কেইবা পুৰুষ ধৰি আৰামেৰে ভোগ কৰাৰ কাৰণে চিন্তা কৰিব নালাগে । ইমান সম্পত্তি থাকিও তেওঁৰ মনত এটাই দুখ । সেয়া হ'ল তেওঁ দেখিবলৈ কুৎসিত ।

নিজকে সুন্দৰ কৰিবলৈ কিমান যে তেওঁ ঔষধ খালে, কিমান যে প্ৰসাধন লগালে, তথাপি কোনো কাম নহ'ল । তেওঁ মন্দিৰলৈ গৈ পূজাও দিলে কিন্তু ভগবানে তেওঁক কৃপা নকৰিলে ।

এদিন শ্ৰীধৰে এজন সাধুৰ আগত নিজৰ সমস্যাৰ কথা কলে । তেতিয়া সাধুয়ে তেওঁক কলে, "বাচা, ভগবানে তোমাক যি ৰূপ দিছে তাক পৰিবৰ্তন কৰিবলৈ চেষ্টা নকৰিবা । ভগবানৰ কৃপাত তোমাৰ অপাৰ সম্পত্তি আছে । দুখীয়াক তুমি দান কৰা । নিঃস্ব জনক তুমি সহায় কৰা । এনে কৰিলে সকলোৱে তোমাক সুন্দৰ দেখিব । কোনেও তোমাক কুৎসিত বুলি নকব ।

সাধুৰ উপদেশ শ্ৰীধৰৰ মনত ভাল নালাগিল । কাৰণ আনৰ কাৰণে ধন খৰছ কৰাতো তেওঁ পছন্দ নকৰে । সেই কথাটো মনতে লুকাই ৰাখি অন্য উপায় দিবলৈ তেওঁ সাধুক কলে । তেতিয়া সাধুয়ে ভাবি-চিন্তি কলে, "হৰিপুৰ গাঁৱত মাধৱ নামৰ এজন যুৱক আছে । তেওঁ তোমাতকৈও বেচি কুৎসিত । তেওঁৰ লগত তুমি কিছুদিন থাকিলে তোমাক নিজকে বেচি সুন্দৰ যেন লাগিব ।

এইবাৰ সাধুৰ উপদেশ শ্ৰীধৰৰ মনত লাগিল । তেওঁ লগত অলপ টকা পইচা লৈ হৰিপুৰলৈ গৈ মাধৱক দেখা কৰিলে । মাধৱ

সঁচাকৈয়ে অতি কুৎসিত । তেওঁক দেখি শ্ৰীধৰৰ মনটো ভাল লাগিল ।

মাধৱ বৰ দুখীয়া আছিল । কোনোমতে দিন হাজিৰা কৰি পেট প্ৰবৰ্তায় । সেয়েহে শ্ৰীধৰে মাধৱক কলে যে তুমি যদি মোৰ তালৈ যোৱা আৰামেৰে দিন কটাব পাৰিবা । একো বস্তুৰে তোমাৰ অভাৱ নহব । কিন্তু মাধৱ যাবলৈ সন্মত নহল । তেওঁ নাযাও বুলি স্পষ্টকৈ কলে ।

তেওঁ শ্ৰীধৰক কলে, "গাঁৱৰ সকলো মানুহেই মোক বৰ ভাল পায় । ইয়াতে মই সুখেৰে আছো । এই গাওঁ এৰি যোৱাৰ প্ৰশ্নই নুঠে ।"

শ্ৰীধৰে মাধৱৰ লগত নিজকে তুলনা কৰিবলৈ ধৰিলে । প্ৰচুৰ ধন সম্পত্তি থাকিও মই অসন্তুষ্ট, আনহাতে মাধৱ দুখীয়া হৈও অতি সন্তুষ্ট । গাঁৱৰ মানুহে বোলে তেওঁক বৰ ভাল পায় । এজন দুখীয়া মানুহক কিহৰ বাবে ভাল পাব? এই কথা তেওঁৰ বিশ্বাস নহ'ল । নিজৰ মনৰ সন্দেহ দূৰ কৰিবলৈ তেওঁ গাঁৱৰ মানুহক মাধৱৰ বিষয়ে সুধিলে ।

কিছুমান লোকে তেওঁক পৰোপকাৰী বুলি কলে । কিছুমানে ভাল মানুহ বুলি কলে, কিছুমানে নিস্বাৰ্থী বুলি কলে । কিন্তু কোনেও তেওঁক কুৎসিত বুলি নকলে । এজন গাঁৱৰ মানুহেতো কৈয়ে পেলালে, "যেতিয়াৰ পৰা মই মাধৱক দেখিছো তেওঁৰ ভাল স্বভাৱটোহে মোৰ চকুত পৰিছে । তেওঁৰ ৰূপৰ ফালে মই মনোযোগে দিয়া নাই ।"

সেই গাঁৱতে এজনী সুগুণা নামৰ ছোৱালী আছে । তাই দেখিবলৈ অতি ধুনীয়া । তাই গাখীৰ বিক্ৰী কৰি জীৱিকা চলায় । তাইও মাধৱক ভাল পায় । তাই কায় যে বিয়া যদি কৰাও মাধৱকে কৰাম । শ্ৰীধৰে সুগুণাক চাবলৈ তাইৰ ঘৰলৈ গ'ল । তাইৰ ৰূপ দেখি শ্ৰীধৰ অচেতন হৈ গ'ল । সুগুণাই তেওঁৰ মুখত পানী মাৰি দিয়াত হে চেতনা আহিল । তাই শ্ৰীধৰক সুধিলে, "তোমাৰ কি হৈছিল? কিয় মুৰ্চ্ছা গৈছিলা?"

"তুমি খুব ধুনীয়া । মই তোমাক বিয়া কৰাব বিচাৰো । মোৰ বহুত ধন আছে । মোৰ লগত বিয়া হলে তুমি সুখেৰে থাকিব পাৰিবা ।" শ্ৰীধৰে কলে ।

"মই মাধৱক পছন্দ কৰো । বিয়া হলে তেওঁৰ লগতে হম ।" সুগুণাই দৃঢ় কণ্ঠে কলে ।

“মাধৱ মোতকৈ দেখাতো ভাল নহয় । মোৰ দৰে ধনবানো নহয় । তথাপি তুমি কিয় তেওঁক পছন্দ কৰিছা? শ্ৰীধৰে সুগুণাক সুধিলে।

“মই কি জানো? কিন্তু মই যেতিয়াই দেখো তেওঁৰ মুখত হাঁহি লাগি থাকে । তেতিয়া তেওঁক কিমান সুন্দৰ দেখি জানানে?” সুগুণাই কলে ।

শ্ৰীধৰেও হাঁহিবলৈ চেষ্টা কৰিলে । কিন্তু হাঁহি নোলাল । তেওঁ মাধৱৰ ওচৰলৈ গৈ হাঁহি শিকাবলৈ কলে । মাধৱে কলে, “যিয়ে নিজৰ কাৰণেই অকল চিন্তা কৰে তেওঁ ক্ষন্তেকৰ কাৰণেহে হাঁহিব পাৰে । যিয়ে আনৰ সুখ দেখি নিজেও সুখ পায়, তেওঁহে স্ফুৰ্তিত থাকিব পাৰে আৰু অনবৰতে মুখত হাঁহি লাগি থাকে ।”

শ্ৰীধৰে কলে যে আনৰ বিষয়ে চিন্তাকৰা তেওঁৰ কাম নহয় । তেতিয়া মাধৱে কলে, “এই গাঁৱৰ এমুৰে থকা আমৰ বাগানত নিত্যানন্দ স্বামী থাকে । তুমি তেওঁৰ ওচৰলৈ যোৱা । তেওঁ এনে কাহিনী কব যে হাঁহিত তোমাৰ পেট লৰি যাব ।”

শ্ৰীধৰ নিত্যানন্দ স্বামীৰ ওচৰলৈ গ’ল । তেওঁ ৰসাল কাহিনী কলে । তেওঁ কাহিনী কৈ কৈ নিজেও হাঁহি আছিল ।

“কাহিনী কৈ কৈ আপুনি নিজেই হাঁহি আছে এইটো কেনেকৈ সম্ভৱ? এইটো মোৰ আচৰিত লাগিছে,” শ্ৰীধৰে স্বামীক সুধিলে।

নিত্যানন্দ স্বামীয়ে হাঁহিবলৈ এৰি কলে, “মোৰ কাহিনীৰ কাৰণে, মই হঁহা নাই । মোৰ কাহিনী শুনি তোমাৰ পেট লৰি গৈছে । কিন্তু মুখত হলে অকনো ফুটা নাই । এইটো দেখিহে মোৰ হাঁহি উঠিছে ।” শ্ৰীধৰে কলে, “আচলতে মই হাঁহিছো । হঁহা কাৰণেহে মোৰ পেট লৰিছে ।”

“কথা সেইটোহে? হঁহাৰ পিছতো তোমাৰ মুখত উজ্জ্বলতা নাই । আচলতে তোমাৰ মনটো স্বাৰ্থপৰ চিন্তাৰে ভৰি আছে। সেয়েহে তুমি মন খুলি হাঁহিব নোৱাৰা ।” স্বামীয়ে শ্ৰীধৰক গম্ভীৰ স্বৰে কলে ।

এতিয়াহে শ্ৰীধৰে আচল কথা বুজিব পাৰিলে । তেওঁ শ্ৰীপুৰলৈ উভতি গৈ আন মানুহৰ দুখ-সুখৰ লগত নিজকে বিলীন কৰি দিলে । তেতিয়াৰ পৰা তেওঁ যে কুৰূপ এই কথাটো তেওঁৰ মনলৈ নহা হ’ল ।

# ভাৰতৰ বিষয়ে জানি লোৱা

আমাৰ দেশৰ অতীত আৰু বৰ্ত্তমানক সোঁৱৰণ কৰিবলৈ আগষ্ট মাহটোৱে উত্তম সময়। তলৰ প্ৰশ্নবোৰে তোমাৰ মনত কৌতূহল জগাব ।

১. স্বাধীন ভাৰতত প্ৰথম বাজেত কোনে উস্থাপন কৰিছিল?

২. ভাৰতৰ কোনজন ৰাষ্ট্ৰপতি অতি কম দিন ৰাষ্ট্ৰপতি হৈ আছিল ।

৩. ভোটাধিকাৰৰ বয়স ২১ বছৰৰ পৰা ১৮ বছৰ কেতিয়া কৰা হৈছিল ।

৪. "জয় জোৱান, জয় কিষাণ"ৰ সৈতে "জয় বিজ্ঞান" ধ্বনি কোনে যুক্ত কৰিছিল ।

৫. সংসদত অনাস্থা প্ৰস্তাৱ আনিবলৈ অতি কম কিমান সদস্যৰ আৱশ্যক?

৬. ৰাজ্য সভাৰ অধিবেশনত উপ-ৰাষ্ট্ৰপতিয়ে সভাপতিত্ব কৰে । উপ-ৰাষ্ট্ৰপতিৰ অনুপস্থিতত কোনে সভাত সভাপতিত্ব কৰে ।

৭. আঞ্চলিক ভাষাৰ ভিত্তিত কোনখন ৰাজ্য প্ৰথমতে গঠন কৰা হৈছিল?

৮. মালয়ালম ভাষা কোৱা এটা অঞ্চল কেৰেলাৰ ভিতৰত নাই । সেই অঞ্চলটো কি আৰু কোনখন ৰাজ্যৰ ভিতৰত আছে?

৯. একক শিলাৰ গোমতেশ্বৰৰ মূৰ্ত্তিটো দৰ্শন কৰিবলৈ তুমি কোনখন ৰাজ্যলৈ যাব লাগিব?

১০. আটাইতকৈ সৰু কেন্দ্ৰীয় শাসিত অঞ্চল কোনটো?

১১. ভাৰতৰ প্ৰথম কৃষি বিশ্ববিদ্যালয় কোনখন?

১২. ভাৰতৰ অতিকৈ পুৰণি জাতীয় ফুটবল প্ৰতিযোগিতাৰ নাম কি?

১৩. নেতাজী সুভাষ বসুৱে আন্দামান আৰু নিকোবৰ দ্বীপ পুঞ্জক নতুন নামেৰে নামকৰণ কৰিছিল । সেই নামবোৰ কি?

১৪. বেঙ্গল দুভাগ হোৱাৰ সময়ত ভাৰতৰ ভাইচৰয় কোন আছিল?

**(উত্তৰ অহা সংখ্যাত)**

## জুলাই সংখ্যাৰ প্ৰশ্নাৱলীৰ উত্তৰ

১. গোদাবৰী
২. চিমলা
৩. চিৰ্মল্লা
৪. বটগছ
৫. ঘাঁহ
৬. ৰং কৰা পদ্ধতি
৭. জামচেদপুৰ



# মানৱ সেৱাই ভগবানৰ সেৱা

ৰাজপুৰ গাঁৱত লক্ষেশ্বৰ নামৰ এজন বৈদ্য আছিল। তেওঁৰ পত্নীৰ নাম আছিল পাৰ্বতী। তেওঁলোকৰ কোনো সন্তান নাছিল। সেই অঞ্চলত লক্ষেশ্বৰ এজন দক্ষ চিকিৎসক হিচাবে সকলোৰে পৰিচিত। তেওঁ মানুহক চিকিৎসা কৰি যি টকা পাইছিল সেই টকাৰে তেওঁৰ সংসাৰ সুখেৰে চলিছিল।

কিন্তু তেওঁৰ পত্নী পাৰ্বতীৰ কোনো সন্তান নথকাত তেওঁৰ মনত বৰ দুখ আছিল। তেওঁ যতেই মন্দিৰ দেখে তাতেই পূজা কৰে। কিন্তু কোনো ফল পোৱা নাই। এদিন পাৰ্বতীয়ে লক্ষেশ্বৰক কলে, "আপোনাৰ বৈদ্য শাস্ত্ৰ মোৰ বিষয়ত কিয় ইমান নিষ্ঠুৰ? মোৰ সন্তান হব নে নহয় এইটো জানিবৰ খুব ইচ্ছা। অন্তৰ্বেদ ক্ষেত্ৰলৈ গৈ আমি তাৰ দেৱতাক পূজা দি অহাই ভাল হব নেকি? মানুহে কয়, দেৱতাক ফুল ফলেৰে পূজা দিলে যদি দেৱতাই দৰ্শন দিয়ে তেতিয়া সুফল পোৱাতো নিশ্চিত।"

লক্ষেশ্বৰে অলপ ভাবি কলে, "অন্তৰ্বেদ স্বামী স্বয়ং লক্ষ্মীনৰসিংহ। আমাৰ কপালত কি লিখা আছে আমি নাজানো। আমাৰ সন্তান হব নে নাই তাকো নাজানো। কিন্তু ভগবানক দৰ্শন কৰিলে নিশ্চয় পুণ্য হব। সেয়েহে তুমি কোৱা অনুসাৰে আমি তালৈ নিশ্চয় যাম।"

লক্ষেশ্বৰে পত্নীক কথা দিলে হয়, পিছে তেওঁ যেতিয়া জানিব পাৰিলে অন্তৰ্বেদ ক্ষেত্ৰ বহুত দূৰ, তেতিয়া তেওঁ দোমোজাত পৰিল। তালৈ যাবলৈ বহু দূৰ খোজ কাঢ়িব লাগিব। তাৰ পিছত কিছুদূৰ নাৱেৰেও যাব লাগিব।

তাৰ কাৰণে বহুত খৰছো হব । এতিয়ালৈ তেওঁ যিমান টকা জমা কৰিছে সেই সকলো খিনিয়ে খৰছ হব ।

লক্ষেশ্বৰে গোটেইখিনি কথা পত্নীক জনালে । তাৰ পাছত তেওঁ কলে, "তুমি এবাৰ ভাবি চিন্তি চোৱা । তোমাৰ যি ইচ্ছা তাকে কৰিম ।"

পাৰ্বতী খুব চিন্তাত পৰিল । শেষত নিজৰ মতামত জনাই কলে, "এটা কাম কৰা যাওঁক। এই অন্তৰ্বেদ যাত্ৰাৰ আগতে আমি সত্যনাৰায়ণ ব্ৰত পালন কৰোঁ । তালৈকে গাঁৱৰ সকলোকে নিমন্ত্ৰন দিওঁ । নিমন্ত্ৰণ ৰক্ষা কৰি যিসকল আহিব তেওঁলোকে নিশ্চয় কম বেচি কিবা অলপ দিব । নিজৰ স্বাৰ্থৰ কাৰণে ভগবানৰ নাম ব্যৱহাৰ কৰা অৱশ্যে অনুচিত। কিন্তু এয়াতো পৰম্পৰাগত ভাবে চলি অহা প্ৰথা। আমিতো আৰু নতুন প্ৰথা প্ৰবৰ্তন কৰা নাই।"

পত্নীৰ কথা মতে লক্ষেশ্বৰে সত্যনাৰায়ণ ব্ৰত পালনৰ আয়োজন কৰিলে । গাঁৱৰ সকলোকে তালৈ নিমন্ত্ৰণো জনালে । মানুহৰ ধাৰণা যে লক্ষেশ্বৰে ধনৰ লোভত এই ব্ৰতৰ আয়োজন কৰা নাই । সেয়েহে বহুতো লোকে নিমন্ত্ৰণ ৰক্ষা কৰি তাত উপস্থিত হ'ল আৰু লক্ষেশ্বৰক ধন্যবাদ জনালে ।

মানুহবোৰে উপহাৰ স্বৰূপে তেওঁক ধনো দিলে । লক্ষেশ্বৰে ভাবিলে, তেওঁৰ নিজৰ হাতত যিমান ধন আছে আৰু মানুহৰ পৰা উপহাৰ পোৱা ধন লগলগালে দুটা দুখীয়া পৰিয়ালক জুপুৰি ঘৰ বান্ধি দিব পৰা যায় । তাৰপাছত তেওঁ নিজৰ মত পত্নীৰ আগত প্ৰকাশ কৰি কলে, "মই বুজিব পৰা নাই মোৰ প্ৰতিভাৰ কাৰণে এই উপহাৰ পাইছো নে ভগবানৰ কৃপাৰ কাৰণে ।"

পাৰ্বতীয়ে কোনো মন্তব্য নকৰিলে । ইফালে গাঁৱত তিনিদিন ধৰি মুষলধাৰে বৰষুণ

দিলে । গাওঁখন পানীৰে ভৰি গ'ল । চতুৰ্থ দিনাহে আকাশত সূৰ্য্য দেখা গ'ল ।

লক্ষেশ্বৰ আৰু পাৰ্বতীয়ে বাহিৰলৈ ওলাই আহি দেখিলে অৱস্থা বৰ ভাল নহয় । তেওঁলোকৰ গাঁৱৰে দিন হাজিৰা কাম কৰা লক্ষ্মণৰ পৰিয়ালটোৱে বৰষুণত তিতি তিতি নিম গছৰ তলত বহি আছে । ধাৰাযাৰ বৰষুণৰ কাৰণে তাৰ ঘৰটো ভাগি পৰিছে ।

তাৰ অৱস্থা দেখি লক্ষেশ্বৰৰ দয়া উপজিল। তেওঁ লক্ষ্মণৰ পৰিয়ালক নিজৰ ঘৰলৈ মাতি আনি সলাবলৈ কাপোৰ দিলে আৰু খাবলৈ ভাত দিলে । এই তিনিদিন সিহঁতৰ যি কষ্ট হৈছিল তাৰ কথা শুনি তেওঁলোকৰ বৰ দুখ লাগিল । পৰি যোৱা ঘৰটো আকৌ বনাবলৈ লক্ষ্মণৰ সামৰ্থও নাই ।

পাৰ্বতীয়ে লক্ষেশ্বৰক কলে, "লক্ষ্মণৰ সন্তানকেইটাক দেখি মোৰ খুব দুখ লাগিছে। সন্তান কামনা কৰি মই অন্তৰ্বেদৰ লক্ষ্মী-নৰসিংহৰ ওচৰলৈ যাবলৈ ওলাইছিলো। কিন্তু লক্ষ্মণৰ সন্তানকেইটাক এই দুৰৱস্থাত এৰি থৈ কেনেকৈনো যাওঁ । সন্তানৰ আশাত আমি ভগবানক দৰ্শন কৰিবলৈ যাব বিচাৰিছো, কিন্তু আমাৰ এই আশা পূৰণ হব নে নহয় কোনেও কব নোৱাৰে । তাতকৈ সেই টকাৰে লক্ষ্মণক এটা ঘৰ বান্ধি দিয়াই ভাল হব । টকাখিনিৰ সৎ ব্যৱহাৰ হব ।"

পত্নীৰ কথা শুনি লক্ষেশ্বৰৰ মনত আনন্দ লাগিল । তেওঁ লক্ষ্মণক এটা নতুন ঘৰ তৈয়াৰ কৰি দিলে । গৃহপ্ৰৱেশৰ দিনা লক্ষ্মণ আৰু তাৰ পত্নীয়ে লক্ষেশ্বৰ দম্পতিক কৃতজ্ঞতা জনালে ।

সেইদিনা ৰাতিয়েই পাৰ্বতীয়ে এটা সপোন দেখিলে । সপোনত এজন দিব্য পুৰুষে পাৰ্বতীৰ হাতত ফল আৰু ফুল দি কৈছে, "অন্তৰ্বেদী লক্ষ্মীনৰসিংহক দৰ্শন কৰিলে যিমান পুণ্য হয় দুখীয়া মানুহৰ সেৱা কৰিও সিমানে পুণ্য অৰ্জন কৰিব পাৰি । মানৱ সেৱাই ভগবানৰ সেৱা । সেয়েহে তোমাক এই ফুল আৰু ফল দিছো ।"

সাৰপাই উঠি পাৰ্বতীয়ে তেওঁৰ পতিক কথাটো কলে । এবছৰৰ ভিতৰতে তেওঁলোকৰ এটা পুত্ৰ সন্তান জন্ম হ'ল ।



## জীৱনটো এক যাত্ৰা

তুমি ভ্ৰমণ কৰি ভাল পোৱা, নহয় নে বাৰু? কিন্তু তুমি গোটেই জীৱনটো ভ্ৰমণ কৰি কটোৱাৰ কথা কল্পনা কৰিব পাৰানে? জম্মু আৰু কাশ্মীৰৰ হিমালয়ৰ বৰফাবৃত অঞ্চলত গুজাৰ নামৰ এটা জনজাতিৰ লোকে বাস কৰে । ভাৰতৰ অঘৰী জনজাতিবোৰৰ ভিতৰত এইটোও এটা । তেওঁলোকে ঘোঁৰাৰ পিঠিত তম্বু, কম্বল, আটাৰ বস্তা আদি বোজাই দি প্ৰতি বছৰে শ শ মাইল ভ্ৰমণ কৰি ফুৰে । গুজাৰ সকলে নৱেম্বৰৰ পৰা মাৰ্চৰ ভিতৰত জম্মুৰ ৰিয়াচি, ৰাজোৰি আৰু পুঞ্চৰ পাহাৰীয়া অঞ্চলত বাস কৰে । এপ্ৰিলৰ প্ৰথম ভাগৰ পৰা তেওঁলোকে আকৌ হিমালয়ৰ উচ্চ অঞ্চলত থকা ঘাঁহনি পথাৰলৈ উভতি যায় । গৰমৰ দিনত এইবোৰ অঞ্চল তেওঁলোকৰ অতি প্ৰিয় । চেপ্তেম্বৰ মাহ পৰিলেই তেওঁলোকে শীতকালীন গৃহ জম্মুলৈ আকৌ বয় বস্তু লৈ গুচি আহে ।

## ৰক্ষাকৰ্ত্তা ভগবান

তামিলনাডুৰ চেন্নাইৰ ওচৰৰ উপকূলীয় গাওঁ মিটানকুলমত বসবাস কৰা লোকসকলৰ তেওঁলোকৰ গাঁৱৰ শিৱ মন্দিৰটোৰ ওপৰত ইমানেই গভীৰ বিশ্বাস যে, সেই গাঁৱত বাস কৰা ১৩২ ঘৰ মানুহৰ ঘৰতে দুৱাৰ নাই!

গাওঁবাসীৰ মতে এতিয়ালৈকে গাঁৱৰ কোনো মানুহৰ ঘৰতে চুৰি হোৱা নাই । তেওঁলোকে এইটোও বিশ্বাস কৰে যে যদি কোনো মানুহে তেওঁৰ ঘৰত দুৱাৰ লগায় আৰু তালপাতৰ চালত টাইল লগায় তেনেহলে তেওঁ দেৱতাৰ কোপত পৰিব । ২০০ বছৰতকৈও অধিক পুৰণি এই মন্দিৰটোতো কোনো দুৱাৰ নাই আৰু উপযুক্ত চাল নাই ।



# পুখুৰী খনন

নাৰায়ণ সীতাপুৰ গাঁৱৰ গাওঁবুঢ়া । এই বছৰ বৰষুণ নোহোৱা কাৰণে পথাৰত খেতি-বাতি হোৱা নাই । সেয়েহে নাৰায়ণে গাঁৱত এটা ডাঙৰ পুখুৰী খন্দাৰ সিদ্ধান্ত কৰিলে, যাতে তাৰ পৰা খেতিত পানী দিব পৰা যায়। এই কামৰ কাৰণে ৰজাৰ পৰা অনুমতি আৰু আৱশ্যকীয় ধনো পালে । পুখুৰী খন্দা কাম সোনকালে শেষ কৰিবলৈ তেওঁ দুশ শ্ৰমিক কামত লগালে ।

পুখুৰী খন্দা কাম আৰম্ভ হ'ল যদিও কাম খুব ধীৰ গতিত চলিছিল । কিছুমান শ্ৰমিক পলমকৈ আহিছিল, কিছুমানে আকৌ সোনকালে গুছি গৈছিল । তাৰোপৰি কামৰ সময়ত মনপুতি কাম নকৰিছিল । দুমাহ কাম চলিল । তথাপি দুফুটে মাটি খন্দা যোৱা নাই। গাওঁবুঢ়াই এই সকলো কথা জানিও একো মাত মতা নাছিল । এই সময়তে ভূষণ নামৰ এজন লোক সেই গাঁৱলৈ আহিল ।

ভূষণ ধনী আৰু বুধিয়ক ব্যক্তি । যেতিয়া তেওঁ জানিব পাৰিলে আকালৰ কাৰণে গাঁৱৰ মানুহবোৰে গাওঁ এৰি যাব ধৰিছে, তেওঁ কম দামতে বহুতো মানুহৰ মাটি কিনি ললে । ভূষনেও তেওঁৰ খেতিপথাৰৰ মাজত এটা পুখুৰী খন্দাৰ সিদ্ধান্ত কৰিলে । এইটো গাঁৱৰ পুখুৰীটোতকৈও ডাঙৰ হব । তাৰ বাবে ভূষণে এশ শ্ৰমিক কামত লগালে । এমাহৰ ভিতৰতে তেওঁ প্ৰায় আধা কাম শেষ কৰিলে । এই কথা শুনি গাওঁবুঢ়া আচৰিত হ'ল ।

এইটো কেনেকৈ সম্ভৱ হ'ল নাৰায়ণে তাৰ অনুসন্ধান কৰিলে । নাৰায়নে শ্ৰমিকো বেচি লগাইছে আৰু মজুৰিও বেচি দিয়ে । কিন্তু ভূষণৰ শ্ৰমিকবোৰ সময়মতে আহে আৰু নিৰ্দ্ধাৰিত কাম পূৰা কৰিহে কামৰ পৰা যায়। কামৰ মাজত কথা কৈ সময় নকটায় ।

শ্ৰমিকবোৰে যাতে ঘূৰি ফুৰিব নোৱাৰে আৰু ঠিক সময়ত কামত আহে তাৰ কাৰণে নাৰয়ণে পুখুৰীৰ চাৰিওফালে বেৰ দিয়ালে আৰু এজন ৰখীয়া নিযুক্ত কৰিলে । এই কাম

কৰোতেই দুসপ্তাহ সময় গ'ল । লগতে এইটোও কোৱা হ'ল, যি শ্ৰমিকে ঠিকমতে কাম নকৰিব সি মজুৰি নাপাব । যি শ্ৰমিকে কামৰ সময়ত কথা কৈ থাকিব তাক কামৰ পৰা বাহিৰ কৰি দিয়া হ'ব ।

এতিয়া শ্ৰমিকবোৰ সময়মতে আহে আৰু কামৰ সময়ত কথাকৈও নাথাকে । তথাপি কামৰ গতি খৰ হোৱা নাই ।

নাৰায়ণে এইবাৰ অনুসন্ধান কৰি জানিব পাৰিলে কিছুমান শ্ৰমিকে ৰখীয়াজনৰ লগত বন্ধুত্ব কৰি লৈছে । সিহঁতে কামৰ পৰা আগতে গুচি যায় । কিছুমান শ্ৰমিকে আকৌ দেহা বচাই কাম কৰে । মনপুতি কাম নকৰে। ইফালে ভূষণৰ পুখুৰী খন্দাৰ কাম প্ৰায় শেষ হওঁ হওঁ হৈছে ।

নাৰায়ণে অনুমান কৰিলে নিশ্চয় ইয়াত কিবা কেৰোণ আছে । এই কথা জানিবলৈ নাৰায়ণে ভূষণৰ ওচৰলৈ গ'ল আৰু ভূষণৰ আগত সকলো কলে ।

তেতিয়া ভূষণে কলে, "কাম লেহেম হোৱাৰ কাৰণ শ্ৰমিক নহয়, তুমিহে । পুখুৰী খন্দাৰ কাৰণে তুমি ৰজাৰ ধন খৰচ কৰিছা, আৰু মই নিজৰ ধন খৰচ কৰিছো ।"

"কিন্তু, কাম শ্ৰমিকেহে কৰিছে । মইতো তোমাতকৈ বেচি শ্ৰমিক লগাইছো," নাৰায়ণে কলে ।

ভূষণে তেতিয়া যুক্তিৰে বুজাই কলে, তোমাৰ ধন ৰজাৰ ধন, তাৰে এক নিৰ্দ্ধাৰিত ভাগ শ্ৰমিকক দিছা । কিন্তু, মই নিজৰ ধন খৰচ কৰিছো, সেয়েহে এক নিৰ্দিষ্ট কামৰ কাৰণে নিৰ্দ্ধাৰিত মজুৰি দিছো । তোমাৰ শ্ৰমিক বোৰে বুজিব পাৰিছে এই কামত সময় লাগিব আৰু যিমান দিন কাম কৰিব সিমান পইচা পাব । এই কাৰণে সিহঁতে মন দি কাম নকৰে । কিন্তু মোৰ কথা বেলেগ, এক নিৰ্দ্ধাৰিত কাম পূৰ্ণ হোৱাৰ পিছতহে সিহঁতে সম্পূৰ্ণ মজুৰি পাব। যিমান বেচি কাম কৰিব সিমানে বেচি পইচা পাব । এতিয়া বুজিলানে আমাৰ দুজনৰ মাজৰ কামৰ পদ্ধতিৰ পাৰ্থক্য ক'ত?

এতিয়াহে নাৰায়ণে বুজিব পাৰিলে ভুল ক'ত? তেওঁ ভূষণৰ পদ্ধতিৰে কাম কৰি সোনকালে কাম সম্পূৰ্ণ কৰিলে ।

## কেৰালাৰ লোক কথা

কেৰালা ৰাজ্যৰ প্ৰাকৃতিক সৌন্দৰ্য্য, বিস্তৃত ওভতনি জলৰাশি, নীলা নীলা লেগুণ আৰু মনোৰম উপকূলভাগৰ কাৰণে এই ৰাজ্যখনক 'ভগবানৰ নিজৰ দেশ বুলি কোৱা হয় ।'

কেৰালা নামটো মালয়ালম শব্দ 'কেৰা'ৰ পৰা আহিছে, যাৰ অৰ্থ নাৰিকল। ভাৰতৰ সৰু সৰু ৰাজ্যবোৰৰ ভিতৰত কেৰালাও এখন । ইয়াৰ আয়তন ৩৮,৮৫৫ বৰ্গ কিলোমিটাৰ - যিটো ভাৰতৰ মুঠ আয়তনৰ এভাগহে মাথোঁ । এই ৰাজ্যখনৰ জনসংখ্যা ৩১,৮৩৮,৬১৯ জন ।

ত্ৰেৱাঙ্কোৰ, কোচিন আৰু মালাবাৰ এই তিনিটা অঞ্চল লগ লগাই ১৯৫৬ চনত কেৰালা ৰাজ্য গঠন কৰা হৈছিল । ইয়াৰে ত্ৰেবাঙ্কোৰ আৰু কোচিন আছিল ৰজাই শাসিত ৰাজ্য আৰু মালাবাৰ আছিল মাদ্ৰাজ প্ৰেচিডেন্সিৰ এটা অংশ ।

এই ৰাজ্যৰ চাৰিসীমা হ'ল - উত্তৰে কৰ্ণাটক, পূবে আৰু দক্ষিণে তামিলনাডু আৰু পশ্চিমে আৰব সাগৰ । ভাৰতৰ ভিতৰত কেৰালা ৰাজ্যখনেই একমাত্ৰ ৰাজ্য যাৰ স্বাক্ষৰতাৰ হাৰ শতকৰা এশভাগ।

## উপকাৰ কৰিবলৈ গৈ নিজে বিপদ

তেওঁ মানুহৰ মাজত 'কায়মকুলম কোছুন্নি' নামে জনজাত । কাৰণ ত্ৰেৱাঙ্কুৰৰ সেই গাওঁখনত অথবা ওচৰ-পাজৰৰ গাঁৱত সাহস আৰু দয়ালুৰ ক্ষেত্ৰ তেওঁৰ সৈতে ৰিজাব পৰা লোক খুব কম সংখ্যকহে আছে।

দুই শতিকা আগতে এক দুখীয়া পৰিয়ালত জন্ম গ্ৰহণ কৰা কোছুন্নি আছিল এজন ধৰ্মপ্ৰাণ মুছলমান । তেওঁ স্থানীয় মচজিদলৈ গৈ দিনত পাঁচবাৰ নামাজ পঢ়িবলৈ কেতিয়াও নাপাহৰিছিল । কেতিয়াবা তেওঁ মচজিদৰ আজানলৈ অপেক্ষা নকৰি যতেই আছিল

ততেই চাদৰখন মাটিত পাৰি লৈ পশ্চিম ফালে মুখ কৰি নামাজ পঢ়িবলৈ বহিছিল।

সকৰে পৰা এক দাড়িদ্ৰ জীৱন যাপন কৰা বাবেই নেকি কোছুন্নিৰ কৃপণ, মহাজন আৰু জমিদাৰসকলৰ প্ৰতি এক বিৰূপ ভাব আছিল। কোছুন্নিয়ে এদিন এজন মানুহৰ ওচৰলৈ কাম বিচাৰি যোৱাত তেওঁ এজন ধনী সদাগৰৰ দোকানত কাম এটা দিয়াইছিল। কোছুন্নিৰ কাম দেখি দোকানৰ মালিক তেওঁৰ ওপৰত অতি সন্তুষ্ট হৈছিল। তেওঁ কোছুন্নিক শিকাইছিল কেনেকৈ গ্ৰাহকৰ লগত নম্ৰভাৱে ব্যৱহাৰ কৰিব লাগে আৰু উচিত দাম লৈ উচিত বস্তু দিব লাগে।

কোছুন্নিয়ে প্ৰতিদিন ৰাতিপুৱা মালিকৰ পৰা চাবি লৈ গৈ দোকান খুলিছিল আৰু মালিক অহালৈকে অপেক্ষা কৰি আছিল। সন্ধিয়া দোকানৰ মালিক ঘৰলৈ যোৱাৰ পাছত কোছুন্নিয়ে দোকানৰ বস্তুবোৰ ঠিকঠাককৈ ৰাখি দোকান বন্ধ কৰি দোকানৰ চাবি মালিকৰ হাতত গটাই দি আহিছিল। ঘৰলৈ উভতিবৰ সময়ত মালিকৰ পত্নীয়ে



কোছুন্নিক খাবৰ কাৰণে আহাৰ দিছিল। তেওঁ সেইখিনি লৈ আহি ঘৰত বুঢ়ীমাকৰ সৈতে ভগাই খাইছিল।

এদিনাখন সন্ধিয়া কোছুন্নিয়ে দোকান বন্ধ কৰি মালিকৰ হাতত চাবি দি যাবলৈ ওলাইছিল। এনেতে এজন গ্ৰাহকে দৌৰা-দৌৰিকৈ আহি দোকানৰ মালিকক সুধিলে, "দোকান বন্ধ কৰিলে নেকি?" তেওঁ অধৰ্য্য হৈ কথাখিনি সুধিছিল।

"হয়, কিয়? তোমাক কিবা লাগিছিল নেকি?" মালিকে সুধিলে।

"মোক গুড় লাগিছিল।" মানুহজনে

## উপাখ্যান

কেৰালা ৰাজ্যৰ সৃষ্টি সম্পৰ্কে এক উপাখ্যান আছে। সেই উপাখ্যান মতে পৰশুৰামে কেৰালা ৰাজ্যৰ সৃষ্টি কৰিছিল। পৰশুৰামে ২১ জন ক্ষত্ৰিয় ৰজাক বধ কৰাৰ পিছত তাৰ প্ৰায়শ্চিত্ত কৰাৰ কাৰণে এখন ঠাই বিচাৰি ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰিছিল। ভগবানে তেওঁক নিজৰ কাৰণে এখন ঠাই বাচি লবলৈ কৈছিল। তেতিয়া পৰশুৰামে গোকৰ্ণ পৰ্বতত উঠি তেওঁৰ কুঠাৰখন সাগৰত দলিমাৰি পেলাই দিছিল। কুঠাৰখন পৰাৰ লগে লগে তাৰ পানীবোৰ আঁতৰি গৈছিল আৰু এখন ঠাই সাগৰৰ পৰা উঠি আহিছিল। সেইখন ঠাইয়ে কেৰালা নামে পৰিচিত।

# লোকনৃত্য

লোকনৃত্যৰ ক্ষেত্ৰত কেৰালাৰ এক-উচ্চ পৰম্পৰা আছে । যুগ যুগ ধৰি এই কলা শৈলীবোৰ চলি আহিছে । ইয়াৰ ভিতৰত কুথু অতি বিখ্যাত । এই নৃত্যত শিল্পীজনক চক্যাৰ নামে জনা যায় আৰু তেওঁৰেই সকলোবোৰ চৰিত্ৰ ৰূপায়ণ কৰে। সাধাৰণতে এই নৃত্য কুথম্বলম নামৰ এক বিশেষ প্ৰেক্ষাগৃহত প্ৰদৰ্শন কৰা হয় ।

কেৰালাৰ পৌৰাণিক নাট্যশৈলী হ'ল

কুদিয়ত্তম । কেৰালাৰ অতি জনপ্ৰিয় নৃত্য নাটিকা হ'ল কথাকলি । এক বিশেষ ধৰণৰ সাজ পোচাক আৰু মূৰৰ টুপি এই নৃত্যৰ এক বিশেষ বৈশিষ্ট্য । ইয়াৰ কাহিনী ভাগ পৌৰাণিক উপাখ্যানৰ ভিত্তিত ৰচিত । কেৰালাৰ অন্যান্য নৃত্যশৈলীৰ ভিতৰত মোহিনীয়ত্তম, থুল্লাল, কৈকোত্তিকলি আদিয়ে প্ৰধান ।

কৈছিল । "অহাকালি মোৰ ল'ৰাটোৰ জন্ম দিন । সেই উপলক্ষে অহাকালি ৰাতিপুৱা মন্দিৰত এখন নৈবদ্য দিব লাগিব । মই ঘৰ গৈ পোৱাৰ লগে লগে মোৰ পত্নীয়ে কলে যে পায়স বনাবলৈ ঘৰত এচিকতাও গুড় নাই । এই সময়ত অন্যৰ দোকানত গুড় পোৱাতো সম্ভৱ নহব । সেয়েহে ইয়ালৈকে আহিলো । গুড় অলপ দিয়ক ।"

"অ' অলপ ৰবা ।" মালিকে কৈছিল । কোছুন্নিও ইতিমধ্যে গৈ পদূলিমুখ পাইছিলেই। "কোছুন্নি! কোছুন্নি! এইফালে অলপ আহাছোন! এওঁ আমাৰ নিয়মিয়া গ্ৰাহক। এওঁক গুড়ৰ আৱশ্যক হৈছে । তোমাৰ লগত এওঁক দোকানলৈ লৈ যোৱা, এওঁক যিমান গুড় লাগে দিবা ।"

"গৈছো ৰব ।" কোছুন্নিয়ে মালিকক কৈছিল । তাৰপাছত গ্ৰাহকজনৰ ফালে চাই

# হস্তশিল্প

কেৰালাৰ মানুহবোৰৰ অতি কলা পাৰদৰ্শী। কেৰালাৰ কাৰিকৰ সম্প্ৰদায়ৰ লোকসকলক বিশ্বকৰ্মাৰ বংশধৰ বুলি কোৱা হয়। ইয়াৰ শিল্পীবোৰে শিল অথবা ধাতুৰ খোদাই কাৰ্য্যতকৈ কাঠৰ খোদাই কাৰ্য্যত অতি অগ্ৰগণি। ইয়াৰ প্ৰমাণ পুৰণি মন্দিৰ আৰু প্ৰাসাদবোৰত পোৱা যায়। বেত আৰু হাতী দাঁতৰ কামৰ কাৰণে এই ৰাজ্য বিখ্যাত। আজি কালি অৱশ্যে হাতী দাঁতৰ ব্যৱহাৰ সীমাবদ্ধ কৰা হৈছে। নাৰিকলৰ খোলাৰ ওপৰত খোদাই কাৰ্য্য কেৰালৰ এক বিশেষত্ব।

কেৰালা কাঁহৰ কামৰ কাৰণেও বিখ্যাত। ইয়াত কাঁহৰ দেৱ-দেৱীৰ মূৰ্ত্তি তৈয়াৰ কৰা হয়। এই ৰাজ্যৰ অন্য এক হস্তশিল্প হ'ল চাকি তৈয়াৰ কৰা। ইয়াত বিভিন্ন ধৰণৰ চাকি তৈয়াৰ কৰা হয়। ধাতুৰ আইনা তৈয়াৰ কৰা ইয়াৰ অন্য এক পৰম্পৰাগত হস্তশিল্প। এই শিল্পবিধ প্ৰায় চাৰিশ বছৰ পুৰণি।

নাৰিকলৰ বাকলিৰ আঁহৰ পৰা ইয়াত মেট, কাৰ্পেট আদি তৈয়াৰ কৰা হয়। এই শিল্পৰ কাৰণে কেৰালা অতি বিখ্যাত।

কৈছিল, "আহক, মোৰ লগত দোকানলৈ আহক।"

অলপো সময় পলম নকৰাকৈ তেওঁলোক দোকানলৈ ওলাই আহিছিল। দোকানখন মালিকৰ ঘৰৰ পৰা অলপ দূৰত। তেওঁলোক দোকানৰ ওচৰ আহি পোৱাত কোছুন্নিৰ মনত পৰিল যে তেওঁ দোকানৰ চাবি অনা নাই। তেওঁ দোকানৰ পৰা গৈয়ে দোকানৰ চাবি মালিকৰ পত্নীৰ হাতত জমা দিছিল। আহোতে লৈ আহিব পাহৰিলে। তেওঁ মানুহজনক কলে, "ডাঙৰীয়া, মই এটা ডাঙৰ ভুল কৰিলো। আহোতে মই দোকানৰ চাবি লৈ



আহিবলৈ পাহৰিলো । এতিয়াহে মোৰ মনত পৰিছে ।”

“চাবি নোহোৱাকৈ কেনেকৈ দোকান খুলিবা? তুমি এজন মুৰ্খনেকি । তুমি জানাই, মোক অতি সোনকালে গুড় লাগে । এতিয়া কৈছা দোকানৰ চাবি অনা নাই ।” গ্ৰাহক-জনে কোছুন্নিক খঙেৰে কলে ।

“ডাঙৰীয়া, খং নকৰিব । আপোনাক গুড় নিদিয়াকৈ পঠালে মালিকে মোক গালি পাৰিব । গতিকে মোক অলপ ভাবিবলৈ দিয়ক । কিবা এটা উপায় উলিয়াব লাগিব ।” কোছুন্নিয়ে কলে ।

কোছুন্নিয়ে দোকানখনৰ ফালে এবাৰ ভালদৰে চালে । তাৰ পাছত তেওঁ দোকানৰ শাৰীৰ আটাইতকৈ চাপৰ ঘৰৰ চালখনত জাঁপমাৰি উঠি গ’ল, তাৰপাছত তেওঁ কোনোমতে দোকানৰ ভিতৰলৈ সোমাই গৈ পিছফালৰ দুৱাৰখন খুলি দুটা গুড়ৰ চাকি উলিয়াই লৈ আহি আকৌ যোৱা পথেৰেই উভতি আহিল । গ্ৰাহকজন বাহিৰতে অপেক্ষা কৰি আছিল ।

কোছুন্নিয়ে গুড় লৈ অহা কাৰণে গ্ৰাহক-জনৰ মনত আনন্দ লাগিল । “তুমি ইমান বুধিয়ক বুলি মই জনাই নাছিলো । তোমাৰ মালিকক মই ধন্যবাদ জনোৱা বুলি কবা ।” এইবুলি কৈ কোছুন্নিৰ হাতৰ পৰা গুড়ৰ চাকিদুটা লৈ তাৰ মূল্য কোছুন্নিৰ হাতত দি গ্ৰাহকজন ঘৰলৈ গ’ল ।

গ্ৰাহকজনক বিমুখ নকৰাকৈ পঠাব পৰা কাৰণে কোছুন্নিৰ মনটো ভাল লাগিল । তেওঁৰ মালিকেও এই কথা শুনি নিশ্চয় তেওঁক ভাল পাব ।

কোছুন্নিয়ে মালিকৰ ঘৰ পাই দেখিলে মালিকে ব্যগ্ৰহে তেওঁৰ কাৰণে বৈ আছে ।” তুমি চাবি নিনিয়াকৈ দোকানলৈ গৈছা, মুৰ্খ কৰবাৰ । সেই ভদ্ৰলোকজন ক’ত?”

“তেওঁ গুড় লৈ ঘৰলৈ গৈছে । মই তেওঁক দুই চাকি গুড় দিছো । এই গুড়ৰ দাম,” এইবুলি কোছুন্নিয়ে হাঁহি এটা মাৰি মালিকৰ হাতত পইচাখিনি দিলে ।

“কিন্তু তুমি চাবি নোহোৱাকৈ কেনেকৈ দোকান খুলিলা?” মালিকে অলপ অসন্তুষ্টভাবে কোছুন্নিক সুধিলে । ।

“মই দোকানৰ দুৱাৰ খোলা নাই ।” এইবুলি তেওঁ কেনেকৈ দোকানৰ ভিতৰলৈ সোমাই গৈ গুড় আনি গ্ৰাহক দিলে সকলো কথা মালিকক কলে ।

“কোছুন্নি, তোমাৰ বুদ্ধি আছে যেন

পাইছো । ঠিক আছে, এতিয়া ঘৰলৈ যোৱা।” মালিকে কোছুন্নিক কলে ।

কোছুন্নিয়ে বাৰান্দাত থৈ যোৱা খোৱা বস্তুৰ টোপোলাটো লৈ ঘৰলৈ গ'ল ।

পিছদিনা ৰাতিপুৱা কোছুন্নিয়ে দোকান খুলিবলৈ চাবি আনিবলৈ গৈ দেখে যে মালিকে ইতিমধ্যে দোকান খুলিবলৈ গৈছেই। তেওঁ দৌৰাদৌৰিকৈ দোকানলৈ গ'ল । মালিকে অলপ খং ভাবে কোছুন্নিক কলে, “কোছুন্নি, যোৱা ৰাতিৰ ঘটনাটোৰ কথা ভাবি চালো । মোক ভুল নাভাবিবা । মই আৰু তোমাক কামত নাৰাখো । যোৱা ৰাতি তুমি যিটো কৰিলা, তুমি কিবা টানত পৰিলে আকৌ যে সেইটো নকৰিবা কোনে জানে? তোমাৰ ওপৰত মোৰ বিশ্বাস নোহোৱা হৈছে। এয়া তোমাৰ দৰমহা লোৱা । তুমি অইন ঠাইত কাম বিচৰা গৈ !”

কোছুন্নি হতভম্ব হৈ ৰল । তেওঁ ইমান দিনে অতি বিশ্বাসযোগ্য ভাবে কাম কৰি আহিছে । ৰাতিৰ ভিতৰতে মালিকৰ মত সলনি হৈ গ'ল । তেওঁ একো নমতাকৈ টেবিলৰ ওপৰত থকা টকাখিনি লৈ ওলাই গ'ল । এই ঘটনাই ধনী মানুহৰ ওপৰত তেওঁক আস্থাহীন কৰি তুলিছিল ।

## ভ্ৰমণ স্থান

কেৰালাক ভ্ৰমণকাৰীৰ স্বৰ্গ বুলিব পাৰি। ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্য অতি মনোমোহা। ইয়াত বহুতো অভয়াৰণ্য আছে । ইদুক্কি জিলাৰ পেৰিয়াৰ অভয়াৰণ্য অতি বিখ্যাত। এই অভয়াৰণ্য পেৰিয়াৰ হ্ৰদৰ চাৰিওফালে আবৰি আছে । ১৯৭৮ চনত এই অভয়াৰণ্যখনক ব্যঘ্ৰ প্ৰকল্পৰ অধীনলৈ অনা হৈছে আৰু বাঘৰ কাৰণে সংৰক্ষিত বুলি ঘোষণা কৰা হৈছে । এই অভয়াৰণ্যত হাতী, বাইচন, হৰিণ, নাহৰফুটুকি বাঘ, উৰণীয়া কেৰ্কেটুৱা, নেউল আদি জন্তুও আছে । হাতীৰ পালবোৰে হ্ৰদৰ পানীত খেলা কৰি থকা দৃশ্য অতি মনোহৰ ।

পৰ্বতীয়া ঠাই মুন্নাৰ, কোচিনৰ ওভতনি জলশ্ৰোত, অথিৰামপল্লিৰ জলপ্ৰপাত, ত্ৰিবান্দ্ৰমৰ ওচৰৰ উপকূলভাগ ভ্ৰমণকাৰীৰ বাবে মনোমুগ্ধকৰ ঠাই ।

# সংবাদ বিচিত্ৰা

## গুজৰাটিত অশ্বমেধ যজ্ঞ



শ্ৰীৰাম আৰু যুধিষ্ঠিৰে অশ্বমেধ যজ্ঞ কৰাৰ কথা আমি শুনিছিলো । ২০০১ চনত ভূমিকম্পই ধ্বংস কৰি থৈ যোৱা গুজৰাটত অলপতে কঠোৰ ধৰ্মীয় নিয়ম নীতি পালন কৰি আধুনিক ভাবে এই যজ্ঞ সম্পাদন কৰা হয় । যজ্ঞৰ কাৰণে কাঠৰ ঘোঁৰা এটা উত্তৰ কেৰালাৰ কনহনগড়ত তৈয়াৰ কৰা হৈছিল । ৬ ফুট ওখ ৭ ফুট দীঘল এই ঘোঁৰাটো তামিলনাডুৰ কল্লাকুৰিছিৰ স্বমিনদুৰাই নামৰ কাৰিকৰ এজনে এডাল আম গছৰ পৰা কাটি উলিয়াইছিল । এই ঘোঁৰাটো তৈয়াৰ কৰোতে তেওঁৰ দেৰমাহ সময় লাগিছিল । এই ঘোঁৰাটো পিতলৰে খচিত কৰাৰ পিছত ৰেলৰ এটা খোলা ডবাত মানুহৰ দৰ্শনৰ কাৰণে ১৫ দিন ঘুৰাই লৈ ফুৰা হৈছিল । ঘোঁৰৰ লগত যোৱা মানুহবোৰে সেই ১৫ দিন মন্ত্ৰ উচ্চাৰণ কৰি গৈ আছিল ।

## নীৰৱতা দিবস

১৩ এপ্ৰিলৰ দিনা ভাৰতৰ বহুতো ঠাইত যেতিয়া উলহ মালহেৰে নৱবৰ্ষ উৎসৱ পালন কৰা হয় ইন্দোনেচিয়াৰ বালী দ্বীপত সেইদিনা নীৰৱতা দিবস পালন কৰে । হিন্দু অধ্যুষিত বালীত সেইদিনা মানুহবোৰে কাম বন নকৰাকৈ ঘৰতে থাকি এই দিবস পালন কৰে । সেইদিনা তেওঁলোকে ভ্ৰমণ নকৰে, শব্দ হোৱা বৈদ্যুতিক বস্তু ব্যৱহাৰ নকৰে, টি ভি নাচায়, ৰেডিঅনু শুনে আনকি টেলিফোনো নাবাজে। পৰ্য্যটক সকলে সেইদিনা হোটেলৰ ৰুমতে আবদ্ধ থাকে। কোনো উৰাজাহাজ দ্বীপটোৰ ওপৰেৰে উৰি নাযায় আৰু জাহাজবোৰো লঙ্গৰ পেলোৱা থাকে । আগৰ দিনা নিশাৰ পৰাই ধৰ্মীয় অনুষ্ঠান আৰম্ভ কৰি ভূত প্ৰেত বোৰক সাগৰলৈ খেদি পঠোৱা হয় আৰু পিছদিনা দ্বীপলৈ ঘূৰি আহিব নোৱাৰাকৈ বাধা দিয়া হয় । সেইদিনা তাত ৰাজহুৱা বন্ধৰ দিন পালন কৰা হয় ।

# গণেশ

কার্তিকৰ বিবাহত বাধাৰ সৃষ্টি হোৱাত কার্তিকৰ খং উঠিল গণেশৰ ওপৰত। কার্তিকে মাকক ক'লে গৈ, "বাৰু মা, ককাইদেৱে বোলে সকলো বাধা-বিঘিনি নাইকিয়া কৰি পেলাব পাৰে? তাক প্ৰণাম কৰি বহুতেই দেখোন কার্য্যাৰম্ভ কৰে। যিজনৰ ক্ষমতা ইমানেই বেছি, তেওঁ থাকোঁতেনো মোৰ বিবাহত বাধাৰ সৃষ্টি হ'ল কেনেকৈ? আচলতে তাৰ একো ক্ষমতা নাই। কেনেবাকৈ একোচা গোঁফক দুকোচা কৰি ফালি দেখুৱায়, আৰু আনে তাকে মানি লয়। তোমালোক আছাই নহয় তাৰ কাষত? সেয়েহে সি আচুকাঠৰ তল পাই শিয়াল-পখৰা হ'ল।

গণেশে পাৰ্বতীক ক'লে, "শুনিছানে মা, ভাইটিয়ে মোক কেনেকৈ অপমান কৰিছে? তুমি তাক মনে মনে থাকিবলৈ কোৱা, নহ'লে মোৰ খং উঠিব কিন্তু।"

পাৰ্বতীৰো কার্তিকৰ ওপৰত খং উঠিল। তেওঁ গণেশক সাবটি ধৰি ক'লে, "আচল কথা কি জানা, মোৰ হাতেৰে গঢ়া পুতলাই প্ৰাণ পাই দেৱতা হ'ল। তুমি হ'লা সেই দেৱতা। তোমাৰ ক্ষমতা অত্যধিক হোৱা বাবে সকলোৱে তোমালৈ ঈৰ্ষা কৰে। তোমাৰ দেউতাৰৰ কাণ্ড দেখা নাছিলানে? তেওঁ দেখোন তোমাক প্ৰায় মাৰিয়েই পেলাইছিল। তোমাৰ ভাইটিয়ে তোমাক দুষাৰ বেয়া কথা ক'লে তোমাৰ একো অপমান নহ'ব। সি এতিয়াও অজ্ঞানী। তাৰ যিদিনা প্ৰকৃত জ্ঞান হ'ব, সিদিনা সি নিজে নিজেই লাজ পাব।"

"ঠিক আছে, ভাইটিৰ জ্ঞান হোৱা নাই - সেই কথা মানি লৈছো । দেউতা? দেউতাও অজ্ঞানী নে?" গণেশে সুধিলে ।

"নহয়নো কি? তোমাৰ দেউতাৰাই বিষ্ণুৰ জগমোহিনীৰ পিছ লৈ কম হাঁহিয়াতৰ পাত্ৰ হোৱা নাছিল । কোনো জ্ঞানীয়ে কেতিয়াও তেনেকুৱা কাম নকৰে।" পাৰ্বতীয়ে গণেশক ক'লে ।

"কিনো হৈছিল?" গণেশে সুধিলে ।

"এক কুৎসিত কাণ্ড হৈছিল । মোহিনী আৰু তেওঁৰ মিলনৰ ফলত এটা ক'লা কুৰূপ শিশুৰ জন্ম হৈছিল । তাৰ নাম ভৈৰৱ ।" পাৰ্বতীয়ে গণেশক ক'লে ।

"ভৈৰৱ এতিয়া ক'ত আছে? তাক চাবলৈ মন গৈছে মোৰ ।" গণেশে ক'লে ।

"জানো-ক'ত থাকে সি । কিচকিচ কৰে ক'লা ৰঙৰ কাপোৰ-কানি পিন্ধে সি । কিন্তু তুমি কেতিয়াও তাৰ ওচৰলৈ নাযাবা । দেখিলেই ভয় খাবা । খুব সাৱধান হৈ থাকিবা ।" পাৰ্বতীয়ে গণেশক ক'লে ।

"কি খাম বুলি ক'লা? ভয়? ভয়নো কি বস্তু, মা?" গণেশে পাৰ্বতীক সুধিলে ।

"ভয় মানে - ভয় । ... ভয় কি বস্তু - তুমি বিয়া কৰাৰ পাছতহে বুজিবা ।"

"অ'-তাকে কোৱা । বিয়া মানে ভয় । মই বিয়াও নকৰাওঁ, ভয়ো নাখাওঁ ।" গণেশে হাঁহি মাৰি ক'লে ।

ইমান সময় কাৰ্তিক মনে মনে আছিল । কিয়নো, এইবোৰ বিশেষ বিশেষ কথাত কাৰ্তিকে ভাগ লোৱা পাৰ্বতীয়ে যে মুঠেই ভাল নাপায়, সেই কথাটো কাৰ্তিকে নজনা নহয় । কিন্তু সুবিধা ওলালে ককাইদেৱেক গণেশক খং তোলাই লোৱাত কাৰ্তিকে কেতিয়াও নাপাহৰে । সেই দেখিহে এতিয়া কাৰ্তিকে ক'লে, "বিয়াৰ নাম শুনা মাত্ৰকে বীৰৰো বীৰ বীৰশ্ৰেষ্ঠ গণাধিপতিয়ে ভয়ৰ কোবত কেঁচুৰ গাত বিচাৰে । অবশ্যে এইবোৰ আজেবাজে কথাত মোৰ একো সকাম নাই আৰু মই কোনো মন্তব্য কৰিবলৈও নিবিচাৰো । মই বৰঞ্চ ময়ুৰৰ পিঠিত উঠি সূৰ্য্যলৈ এপাক মাৰি আহোঁগৈ।" এইবুলি কৈয়েই কাৰ্তিক ময়ুৰৰ পিঠিত উঠি সাউৎকৰে ওলাই গুচি গ'ল ।

চকুৰ পচাৰতে গণেশ মেৰু পৰ্বতলৈ গ'ল আৰু মেৰু পৰ্বতৰ দিগন্তবিয়পা হিমশোভিত টিঙত উঠি বহি থাকিল । মেৰু

পৰ্বতক কেন্দ্ৰ কৰিয়াই সূৰ্য ঘূৰ্ণিত হয় । তাত কেতিয়াও সূৰ্য্যাস্ত নহয় ।

গণেশ মেৰু পৰ্বতত বহি থকাৰ কথা গম পাই কাৰ্তিক উভতি আহিল আৰু তলমুৰ হৈ থিয় হৈ থাকিল । তেতিয়া পাৰ্বতীয়ে কাৰ্তিকক সুধিলে, "কাৰ্তিক, তুমিনো তেনেকৈ তলমূৰ হৈ থিয় হৈ । আছা কিয়?"

"তুমি ভাবি চোৱা মা মই সূৰ্য্যপ্ৰদক্ষিণ-লৈ ওলাইছিলোঁ আৰু ককাইদেৱে এনেকুৱা ঠাই এডোখৰত বহিলগৈ, যাতে সূৰ্য্যইহে তাক প্ৰদক্ষিণ কৰিবলৈ বাধ্য হয় । ইমান অহংকাৰ কৰাটো ভালনে? ভদ্ৰতানে? তাৰ অহংকাৰৰ এদিন নহয় এদিন পতন হ'বই হ'ব তুমি চাই ল'বা ।" কাৰ্তিকে গণেশক অভিযুক্ত কৰিলে।

এই ঘটনাৰ কিছুদিনৰ পাছত পাৰ্বতীয়ে গণেশক বিয়া কৰাৰ কথা পুনৰ ক'লে ।

গণেশে ক'লে, "মা, এটা কথা কওঁ, বেয়া নোপোৱা যেন । তোমাৰ দৰে ধুনীয়া কোনোবাজনী ওলালে মোক ক'বা, মই তেতিয়া - তৎক্ষণাত বিয়া কৰাম ।"

পাৰ্বতীৰ খং উঠিল গণেশৰ কথাত । তেওঁ ক'লে, "তেনেহ'লে এটা কাম কৰা। সদায় বাটৰ কাষত বহি চাই থাকা । যিজনীক পচন্দ হ'ব - মোক ক'বা ।"

গণেশে শান্ত কণ্ঠেৰে ক'লে, "ঠিক আছে মা, মই তাকে কৰিম ।" এই বুলি কৈ গণেশে ঘুৰি ঘুৰি আঠো দিশলৈ চালে ।

পাৰ্বতীয়ে তেতিয়া গণেশক সুধিলে, "কি - দেখা পালানে কোনোবাজনীক?"

গণেশ ক'লে, "মা, মই আঠো দিশলৈ চালোঁ । সকলোতে তোমাৰ মুখখনহে দেখা পাওঁ । দেখা পালোঁ - তুমি আঠখন হাত দাঙি জগজ্জননী হৈ আছা ।"





তেতিয়া পাৰ্বতীয়ে গণেশক মৰমতে ক'লে, "বোপা বিঘ্নেশ্বৰ, সকলো দেৱতায়েই পুৰফাললৈ মুখ কৰি পূজা লয় । একমাত্ৰ তুমি হ'বা ব্যতিক্ৰম । যিয়ে, য'তে যেনেকৈয়েই পূজা আগ নকৰক, তুমি সেই পূজা পাবা ।" এই কথা কৈ পাৰ্বতীয়ে গণেশক বৰ দান কৰি গুচি গ'ল শিৱৰ ওচৰলৈ । শিৱক সকলো কথা ক'লে ।

পাছত পাৰ্বতী আকৌ গণেশৰ কাষ চাপিল আৰু বিয়াৰ কথা আকৌ ক'লে । গণেশেও পুনৰ কাৰ্তিকৰ বিয়া পাতিবলৈ কোৱাত পাৰ্বতীয়ে ক'লে, "সি এতিয়াই বিয়া কৰালে সেনাপতিৰ কাম-বন ঠিকমতে কৰিব নোৱাৰিব ।"

"এই কথা ভুল । বিয়াৰ সেতে এই কাম কৰিব পৰা-নোৱাৰাৰ সম্পৰ্ক নাই ।" গণেশে পাৰ্বতীক দৃঢ়ভাবে ক'লে ।

এবাৰ দেৱতাসকলে বাজী মাৰিলে যে ভূমিৰ ওপৰত থকা সকলো তীৰ্থক্ষেত্ৰ গণেশ আৰু কাৰ্তিকৰ মাজত কোনে কিমান সোনকালে দৰ্শন কৰি উভতি আহিব পাৰে। ময়ুৰৰ পিঠিত উঠি কাৰ্তিক তৎক্ষণাৎ ওলাল। গণেশ তাতে হাত-ভৰি মেলি বহি পৰিল । তেতিয়া বিষ্ণু গণেশৰ ওচৰলৈ আহিল আৰু গণেশৰ কাণে কাণে তেওঁ কিছুমান কথা ফুচফুচাই ক'লে । বিষ্ণুৱে ক'লে, "গণেশ, তুমি ইয়াতে বহি থাকা, ক'লৈকো যোৱাৰ আৱশ্যকতা নাই । তুমি ওচৰত থাকিলেহে আমি নিৰ্বিঘ্ন বোধ কৰিম। শুনা গণেশ - এতিয়া মোৰ পৰামৰ্শ- মতে কাম কৰিলে আন একো নকৰিলেও হ'ব ।" এই বুলি কৈ বিষ্ণু খৰধৰকৈ তৎক্ষণাৎ তাৰপৰা গুচি গ'ল ।

বিষ্ণু গুচি যোৱাৰ পাছৰপৰা গণেশে শিৱ-পঞ্চাক্ষৰী মন্ত্ৰ জপ কৰি থাকিল ।

ইপিনে ময়ুৰৰ পিঠিত উঠি কাৰ্তিক সকলো তীৰ্থক্ষেত্ৰলৈ গৈ শুনিলে যে, এন্দুৰৰ পিঠিত উঠি গণেশ বহু আগতেই ঘূৰি গৈছে। ঘটনাটোৱে কাৰ্তিকক বিস্মিত কৰিলে । কাৰ্তিকে সকলো তীৰ্থক্ষেত্ৰ ঘূৰি আহি গণেশৰ জয় ঘোষণা কৰিলে ।

গণেশে কাৰ্তিকক শিৱৰ ওচৰলৈ লৈ গ'ল আৰু ক'লে, "চোৱা ভাইটি, মোৰ জয় নহ'ল, তুমিও পৰাজিত হোৱা নাই । আমি দুয়ো কৰ্তব্যকৰ্ম কৰিছো । আমি নিমিত্ত মাথোন । জয় আচলতে হ'ল দেউতাৰ ।

মই বিষ্ণুৰ পৰামৰ্শমতে শিৱ পঞ্চাক্ষৰী মন্ত্ৰ জপ কৰাত তুমি সকলো ঠাইত মোৰ কথা শুনি আহিছা আৰু সেয়েহে মোক বিজয়ী বুলি ভাবিছা।"

তেতিয়াহে কাৰ্তিকে সেই বিস্ময়কৰ ৰহস্যৰ সমাধান বিচাৰি পালে । কাৰ্তিকে শিৱ আৰু গণেশকো প্ৰণাম কৰিলে । তাৰ পাছত কাৰ্তিকে সকলোৰে আগত থিয় হৈ ঘোষণা কৰিলে, "অগ্ৰজ গণেশৰ অভিষেক হোৱা উচিত । মোৰ পিতৃদেৱৰো এয়ে নিৰ্দেশ। শিৱৰ নিৰ্দেশ সকলোৱে শিৰোধাৰ্য।" এই ঘোষণা শুনি দেৱতা সিদ্ধ, সাধা আৰু যক্ষসকলেও হৰ্ষধ্বনি কৰি উঠিল । কিন্তু ভৃঙ্গীশ্বৰ, শৃংগীশ্বৰ, চণ্ডীশ্বৰ আৰু নন্দীশ্বৰ নীৰৱে থিয়ে হৈ থাকিল । সিহঁতে এসময়ত কৰা গণেশৰ দুৰ্ব্যৱহাৰৰ কথা পাহৰা নাছিল।

সেই চাৰিওজনে ক'লে, "কাৰ্তিক হ'ল দেৱতাসকলৰ সেনাপতি । তেওঁৰ কথা স্বতন্তৰ । কিন্তু আমি হ'লোঁ শিৱৰ আটাইতকৈ অনুৰক্ত সেৱক । গণেশৰ যদি অভিষেক হয়, তেনেহ'লে আমি শিৱৰ নে গণেশৰ - কাৰ নিৰ্দেশ পালন কৰিম? আমি গণেশৰ নিৰ্দেশ নামানো ।"

শিৱ অতিপাত ক্ৰুদ্ধ হ'ল সিহঁতৰ কথা শুনি । তেওঁ গৰ্জি উঠি ক'লে, "মোৰ এই ঘোষণা উপেক্ষা কৰাৰ স্নাহস কাৰ আছে? কোনে-কোনে কৈছা এইবোৰ কথা?

গণেশে শিৱৰ ওচৰলৈ আহি ক'লে, "সিহঁতে ঠিক কথাই কৈছে । মোৰ আচলতে কোনো ক্ষমতা নাই । সিহঁতে মোৰ আদেশ-নিৰ্দেশ কিয় মানিব? সকতে অৱশ্য মোৰ

অলপ ক্ষমতা নথকা নাছিল । কিন্তু এতিয়া একোৱেই নাই ।"

গণেশে এই কথা কোৱাৰ লগে লগেই হঠাৎ চাৰিওফালৰপৰা বিঘ্ন সৃষ্টি হৈ থাকিল। বিঘ্নৰ উপৰি বিঘ্নই দেখা দিলে । বিঘ্নসৃষ্টি কাৰী হতৰ চাৰিখনকৈ হাত, আৰু প্ৰতিখন হাততে বিধে বিধে অস্ত্ৰ আছিল । কেৱল অস্ত্ৰই নহয়, বাদ্যযন্ত্ৰও আছিল্ল সেইবোৰ হাতত । বীণা, মৃদং, নাগেৰা, কাষ্ঠবাদ্য ইত্যাদি । কোনো কোনোবা দেৱতাৰ অংগ ভয়ংকৰ ভয়ংকৰ ডাঙৰ সাপবিলাকে দেৰিয়াই ধৰিছিল ।

এইদৰে চাৰিওফালে অসংখ্য বিঘিনিয়ে মূৰ দাঙিলে । সেই বিঘিনিবিলাকৰ মাজত বিঘ্নেশ্বৰৰ ৰূপ দেখা গ'ল । বিঘ্নেশ্বৰৰ হাততো বিভিন্ন ধৰণৰ অস্ত্ৰ আছিল । বিঘ্নে শ্বৰ আকাশপথতো ভ্ৰমিব পৰিছিল । হঠাৎ বিঘ্নেশ্বৰৰ এক অভূতপূৰ্ব ৰূপ প্ৰত্যক্ষ কৰি বিস্ময়াভিভূত হৈ পাৰ্বতীয়ে বিঘ্নেশ্বৰক প্ৰণাম কৰিবলৈ ধৰাত গণেশে উচপ খাই উঠি ক'লে, "মা, তুমি এই কাম নকৰিবা, মই তোমাৰ সেই আদৰৰ পুত্ৰ গণেশ।" এই কথা কোৱাৰ লগে লগেই বিঘ্নেশ্বৰৰ সেই অপৰূপ চিত্ৰ অদৃশ্য হৈ পৰিল । সেই দৃশ্য অদৃশ্য হোৱাৰ লগে লগেই গণেশে দীঘল দি পৰি আই পাৰ্বতীক প্ৰণাম কৰি থকা দেখা গ'ল ।

হঠাৎ শংখধ্বনিৰ দৰে বিঘ্নেশ্বৰৰ নামটো উচ্চাৰিত হ'ল । বিষ্ণুৱে সেই বিঘ্নেশ্বৰক মাতিছিল । গণেশে বিষ্ণু লৈ নোচোৱা কৈয়েই ক'লে, "তুমি যি কথা ক'ব খুজিছা মই বুজি পাইছোঁ ।"

"তুমি বুজি পালেই নহ'ব, আনৰ কথাও ভাবিব লাগিব । মই জনাখিনি সকলোকে জনাব লাগিব । নহ'লে পৰৱৰ্তী কাৰ্য্যবোৰ নহ'ব । এটা কাৰ্য্যৰ সৈতে আনটো কাৰ্য্যৰ যোগসূত্ৰ আছে । জগতৰ কোনো কাৰ্য্যয়েই বিচ্ছিন্ন নহয় । মই ঘোষণা কৰিছোঁ : গণেশৰ বিবাহত সহস্ৰ বিঘ্ন ঘটাৰ যি কথা আছিল, সেই বিঘ্নসমূহ ঘটি গ'ল । আন কোনো বিঘ্ন ঘটাৰ আশংকা নাই । গণেশে নতুনকৈ বিঘ্ন ঘটাব খুজিলেও বিঘ্ন নঘটিব ।"

বিষ্ণুৱে দৃঢ়তাৰে সৈতে এই কথা । ঘোষণা কৰাত তাত উপস্থিত সকলোৱে সমস্বৰে হৰ্ষধ্বনি কৰি উঠিল ।

# বুদ্ধিমতী সাবিত্ৰী

ভাৰতী আৰু সূৰ্য্যৰ বিয়া হোৱাৰ এবছৰেই পূৰ্ণ হোৱা নাছিল, তাৰ মাজতে তেওঁলোকৰ মাজত কাজিয়া আৰু মনোমালিন্য আৰম্ভ হ'ল । ৰাতিপুৱা উঠাৰ পৰা ৰাতি শোৱাৰ সময়লৈকে কিবা নহয় কিবা বিষয়লৈ তেওঁলোকৰ মাজত খুটখাট কাজিয়া লাগিয়ে থাকে ।

এদিন ভাৰতীয়ে পুহিবলৈ এটা মেকুৰী পোৱালি আনিলে । সূৰ্য্যই সেইটো বাহিৰত এৰি থৈ আহিল আৰু তাৰ পৰিবৰ্তে এটা কুকুৰৰ পোৱালি লৈ আহিল । এদিন ভাৰতীয়ে কুকুৰটোক একো খাবলৈ দিয়া নাছিল । সি ভোকতে চিঞৰি থকাত ভাৰতীয়ে এডাল লাঠি লৈ কুকুৰটো কোবাইছিল । ঠিক সেই সময়তে সূৰ্য্যই ঘৰত উপস্থিত হৈ সেই দৃশ্য দেখি তেওঁৰ খুব খং উঠিল । সূৰ্য্যই খঙতে সেই লাঠিডালেৰেই ভাৰতীক কেইচাটমান লগালে ।

ভাৰতীয়ে চিঞৰ-বাখৰ লগাই কান্দি-কাটি ওচৰতে থকা ভায়েক, ধৰ্মবীৰৰ ঘৰলৈ গুচি গ'ল । ধৰ্মবীৰে ভনীয়েকে এইদৰে কান্দি কান্দি অহাৰ কাৰণ সোধাত, ভনীয়েকে অলপ বঢ়াই সূৰ্য্যৰ সৈতে হোৱা কাজিয়াৰ কথা কলে আৰু এইবুলিও কলে যে তাই আৰু সূৰ্য্যৰ ঘৰলৈ নাযায় ।

ধৰ্মবীৰ এজন অতি শান্ত স্বভাৱৰ মানুহ । কাৰো কষ্ট হোৱা তেওঁ সহ্য কৰিব নোৱাৰে। উপযাচি তেওঁ মানুহক সহায় কৰে । তেওঁৰ ভনীয়েককো তেওঁ খুব মৰম কৰে ।

"তুমি কান্দোন বন্ধ কৰা । এই বিষয়ে মই সূৰ্য্যৰ লগত কথা হম । তেতিয়ালৈ তুমি ইয়াতে থাকা ।" ধৰ্মবীৰে ভাৰতীক বুজাই কলে ।

পিছদিনা সূৰ্য্য ধৰ্মবীৰৰ ঘৰলৈ আহিল । ধৰ্মবীৰে তেওঁক বহুত বুজালে । তেওঁ কলে যে, পৰিয়াল চলোৱাৰ ক্ষেত্ৰত পতি পত্নী

ভানুমতী আগৰৱালা

দুয়োৰে সমান দায়ীত্ব । এজনে আনজনৰ ইচ্ছা অনিচ্ছাৰ ওপৰত মনোযোগ দিব লাগে। সূৰ্য্যই মৌন হৈ ধমবীৰৰ কথা শুনিলে আৰু আবেলি ভাৰতীক লগত লৈ ঘৰলৈ গ'ল ।

এইদৰে তিনি চাৰিদিনৰ অন্তৰে অন্তৰে সূৰ্য্য আৰু ভাৰতীৰ মাজত কাজিয়া লাগিছিল। ধমবীৰে তেওঁলোকক বুজাই-বঢ়াই মিত-মাত কৰি দিছিল ।

ধমবীৰৰ ওচৰ-কাষৰৰ মানুহবোৰে ইয়াকে লৈ নানা ধৰণৰ ৰতনা ৰতিছিল ।

এই কথা লৈ ধমবীৰৰ মনত বহুত দুখ হৈছিল । এই বিষয় লৈ তেওঁ বেচি চিন্তাযুক্ত হৈ পৰিছিল । ধমবীৰৰ পত্নী সাবিত্ৰীয়ে এদিন তেওঁৰ পতিক এইদৰে চিন্তা কৰি থকাৰ কাৰণ সুধিলে । ধমবীৰে নিজৰ অসহায়তা প্ৰকাশ কৰি কলে, "সূয্য আৰু ভাৰতীৰ মাজৰ কাজিয়া কেনেকৈ মিমাংসা কৰা যায় তাকে ভাবি মই পাৰ পোৱা নাই ।" তেতিয়া সাবিত্ৰীয়ে খিলখিলাই হাঁহি কলে, "ইয়াকে লৈ ইমান ভাবিব লাগেনে, ইয়াৰ সমাধান হবই ।"

পিছদিনা দুপৰীয়া কান্দি কান্দি গিৰিয়েকক গালি পাৰি পাৰি ভাৰতী আহি পুনৰ ধমবীৰৰ ঘৰত উপস্থিত হ'ল । কিন্তু সম্মুখৰ দৃশ্য দেখি তাই অবাক হৈ মূৰ্ত্তিৰ নিচিনা থিয় হৈ ৰল ।

ঘৰৰ সকলোবোৰ বস্ত বিশৃঙ্খল হৈ পৰি আছিল । ঘৰৰ ভিতৰত ধমবীৰে তেওঁৰ পত্নীক এইদৰে চিঞৰি চিঞৰি কৈ আছিল - "তুমি পাগল হৈছা । তোমাৰ ওপৰত ভূতে লম্ভিছে, সেয়েহে ঘৰৰ বস্তুবোৰ এইদৰে ধ্বংস কৰিব ধৰিছা ।"

অ! অ! মই পাগল হৈছো, মোৰ গাত ভূতে লম্ভিছে । আপোনাৰ লগত বিয়া হোৱাৰ পিছতহে মোৰ এই অৱস্থা হৈছে । আপোনালোকৰ পৰিয়াল ইমান নীচ বুলি মোৰ মা দেউতাই আগতে জনা নাছিল ।"

"বেচি বক্‌বক্ নকৰিবা । আমাৰ পৰিয়ালক নধৰিবা, কথা বেয়া হব ।" ধমবীৰে উত্তেজিত হৈ কলে ।

"কিয় নকম, হাজাৰ বাৰ কম । আপুনিও পাগল আপোনাৰ পৰিয়ালো পাগল ।" সাবিত্ৰীয়ে খঙেৰে কলে । ভাৰতীয়ে বাৰান্দাত থিয় হৈ এই সকলোবোৰ কথা শুনি আছিল । তাই নিজকে আৰু সংযত ৰাখিব নোৱাৰি দৌৰি গৈ ঘৰৰ ভিতৰত সোমাই কবলৈ ধৰিলে, "দাদা, তুমি কিয় মনে মনে আছা । বৌদেৱে তোমাক আৰু আমাৰ

পৰিয়ালক অপমান কৰিছে । ইয়াৰ উচিত শিক্ষা দিয়া ।"

ধৰবীৰে ভাৰতীক দেখি খঙেৰে কলে, চোৱা, এয়া আমাৰ পতি-পত্নীৰ ভিতৰৰ কথা। তুমি তাত মাত মাতিবলৈ নাহিবা ।"

ভাৰতীয়ে ধৰবীৰৰ কথা শুনি শেতা পৰি গ'ল । ধৰবীৰে এনে ব্যৱহাৰ কৰিব বুলি তাই আশা কৰা নাছিল । বৌয়েকৰ উপস্থিতিত এনে অপমাণ সহ্য কৰিব নোৱাৰি কলে, "দাদা, এয়া তোমাৰ আজি কি হৈছে । বৌদেৱে আমাৰ পৰিয়ালক ইমান অপমানজনক কথা কৈছে আৰু তুমি মনে মনে আছা ।"

এনেতে সাবিত্ৰীয়ে তাইক খংভাবে কলে, "আমাৰ কথাত মাত মাতিবলৈ তুমিনো কোন? ইয়াত তোমাৰ কোনো আৱশ্যক নাই। নিজৰ ঘৰলৈ যোৱা । পৰিয়ালৰ মাজত যিমানে সমস্যা নহওক, যিমানেই মতভেদ নহওক, তাৰ পাছত এনেদৰে মিল হয় যেন একো হোৱাই নাই । এইবোৰ কথা তুমি বুজি নাপাবা, তোমাৰ ইমান জ্ঞানো নাই ।"

বৌয়েকৰ কথা শুনি ভাৰতী স্তম্ভিত হৈ গ'ল । তাই যি উদ্দেশ্যে আহিছিল সেইটো পাহৰি গৈ কলে, "দাদাক এবাৰ চাবলৈ আহিছিলো ।"

তেতিয়া ধৰবীৰে খংভাবে কলে, "মোক চাবলৈ কি আছে, তোমাৰ ওচৰৰে চুবুৰীতেটো থাকে । সপ্তাহত কমেও দুই তিনিবাৰ অহা যোৱা কৰি থাকা । ঠিক আছে, এতিয়া কোৱা কি সকামত আহিছিলা?"

ধৰবীৰৰ কথা শুনি ভাৰতীয়ে থতমত খালে । পতি পত্নী দুয়োজনৰ মাজত কাজিয়া লাগিছে আৰু দুয়োজনেই তাইৰ বিপক্ষে উঠিছে । দুয়োজনৰ মাজত কাজিয়া লাগি থকা দদায়েক বৌয়েককনো কেনেদৰে কয়, তাই



ঘৰত কাজিয়া কৰি আহিছে । সেয়েহে আচল কথাটো লুকুৱাই কলে, "একো নাই। আমি হৰিদ্বাৰলৈ যাম । আমি ভাবিছিলো তোমালোকো আমাৰ লগত গলে ভাল হব । সেই কথাটোকে সুধিবলৈ আহিছিলো । কিন্তু আহি দেখো তোমালোকে সৰু ল'ৰা-ছোৱালীৰ দৰে কাজিয়া কৰি আছা । ঠিক আছে আমি দুয়োয়ে যাম । এইবুলিকৈ ভাৰতীয়ে বেগাই ওলাই গ'ল ।

ইমান সোনকালে ভাৰতী ঘূৰি অহা দেখি সূৰ্য্য আচৰিত হ'ল । ধৰ্মবীৰৰ ঘৰত হোৱা ঘটনাৰ সূৰ্য্যই একো গম নাপালে । ইমান সোনকালে তেওঁৰ পত্নী ঘূৰি অহা কাৰণে সূৰ্য্যৰ মনত ভালো লাগিল । ভাৰতীয়েও যথাৰীতি ৰন্ধবঢ়া কৰি সূৰ্য্যক দিলে । তাই এনে ভাব দেখুৱালে যেন একো হোৱাই নাই।

ৰাতি ভাৰতীয়ে সূৰ্য্যক কলে, "আমি কোনোবা কুগ্ৰহৰ কবলত পৰিছো যেন পাইছো । সেয়েহে সৰু সৰু কথালৈয়ে আমাৰ দুয়োৰে, মাজত কাজিয়া লাগে । আমি এবাৰ হৰিদ্বাৰৰ পৰা গৈ অহাই ভাল হব নেকি? গঙ্গাত স্নান কৰিলে মনটোও পৱিত্ৰ হব ।

পত্নীৰ মনৰ পৰিবৰ্তন হোৱা দেখি সূৰ্য্যই আনন্দতে কলে, "ব'লা, ব'লা । কালি-লৈকে যাওঁ ব'লা ।

ভাৰতীয়ে মনতে ভাবিলে ইয়াৰ দ্বাৰা বৌয়েক দদায়েককো এশিকনি দিয়া হব । তাইক কৰা অপমানৰ প্ৰতিশোধ লব । পিছ-দিনা ভাৰতী আৰু সূৰ্য্যই হৰিদ্বাৰলৈ যোৱা দৃশ্য ধৰ্মবীৰ আৰু সাবিত্ৰীয়ে দূৰৰ পৰা চাই আছিল।

ধৰ্মবীৰে পত্নীৰ বুদ্ধিৰ প্ৰশংসা কৰি কলে, "সাবিত্ৰী, তুমি দিয়া পৰামৰ্শই ভাল ফল দিলে। ভাৰতীয়ে আমাৰ মাজত হোৱা কাজিয়া সঁচা বুলি ভাবিছিল । তোমাৰ পৰামৰ্শ মতে সিহঁতৰ পৰিয়ালত এতিয়া শান্তি বিৰাজ কৰিব ।"

সাবিত্ৰীয়ে হাঁহি মাৰি কলে, "যি হৈছে, ভালেই হৈছে । আগলৈকে আৰু আপোনাৰ ভনীয়েৰা সপ্তাহত দুই তিনিদিনকৈ আমাৰ ঘৰলৈ নাহে আৰু নিজৰ বদনামো নহয় । এতিয়া আৰু ওচৰ চুবুৰীয়াইত একো কব নোৱাৰে ।



# শেখৰৰ উপহাৰ

নগেন্দ্ৰ আৰু শেখৰ দুয়োজনে ভাল খেতিয়ক । দুয়োজনৰ মাজত খুব ভাল বন্ধুত্ব আছে । তেওঁলোক দুয়ো দুসপ্তাহত এবাৰ গাড়ীত ভৰাই শাক পাচলি, ফলমূল চহৰলৈ লৈ গৈছিল আৰু সেইবোৰ বিক্ৰী কৰি থৈ আহিছিল ।

এবাৰ উভতিবৰ সময়ত শেখৰে পত্নীৰ কাৰণে দুখন শাৰী, এটা সোণাৰ আঙঠি আৰু চামেলি আৰু গোলাপ ফুল কিনিছিল ।

"এইবোৰ আমি কিয় কিনিব লাগে, আমাৰ কিনা বস্তু তেওঁলোকৰ পছন্দ নহবও পাৰে।" নগেন্দ্ৰই অসন্মতি প্ৰকাশ কৰি কলে ।

তেতিয়া শেখৰে হাঁহি হাঁহি কলে, "কিয় পছন্দ নকৰিব ।এইবোৰ পাই তেওঁলোকে ভালহে পাব ।পতি-হিচাবে আমাৰ কৰ্ত্তব্য তেওঁলোকক আনন্দিত ৰখা, সন্তুষ্ট ৰখা ।এইবোৰ বস্তুদেখি লৰা-ছোৱালী বোৰেও আনন্দিত হব ।এই সৰু সৰু বস্তুবোৰ উপহাৰ দিলেও সিহঁতে ভাবিব আমি সকলো পাই গলো ।"

শেখৰৰ কথাই নগেন্দ্ৰৰ অন্তৰ পৰশি গল ।তেওঁ শেখৰক কলে, "তুমি ঠিক কথাই কৈছা।" এইবুলি কৈ নগেন্দ্ৰই দোকানলৈ গৈ পত্নীৰ কাৰণে শাৰী আৰু লৰা ছোৱালীৰ কাৰণে বহুতো খেলনা কিনিলে ।বস্তুবোৰ কিনি নগেন্দ্ৰৰ মনত ভাল লাগিল ।

শেখৰে যেতিয়া ঘৰ আহি পালে তেওঁ লৈ অহা বস্তু বোৰ দেখি তেওঁৰ পত্নীয়ে কান্দি কান্দি কবলৈ ধৰিলে, "আজি ৰাতিপুৱা উঠি কাৰ মুখ দেখিছিলো নাজানো । শ্যামক চুবুৰীৰ লৰাবোৰে মাৰিলে ।ৰচী চিঙি বাল্টিটো কুৱাত পৰিল ।এতিয়া আপুনি ইয়াকে কৰিলে ,যিমান টকা পাইছিল গোটেই খৰছ কৰি থৈ আহিল । নাজানেনে, আমাক নগদ পইচাৰ কিমান আৱশ্যক?" কৈ কৈ তেওঁ চকুপানী মচিবলৈ ধৰিলে ।

- সৰলা গুপ্তা

# ভাল মানুহ

এখন গাঁৱত ৰত্নাকৰ নামৰ এজন বৈদ্য আছিল । তেওঁ বনৌষধি ব্যৱহাৰ কৰি মানুহৰ বেমাৰ ভাল কৰিছিল । এবাৰ সেইখন গাঁৱত বৰ আকাল হল । সেয়েহে ৰত্নাকৰে সেই গাওঁ এৰি অন্য এখন দেশৰ গাঁৱলৈ গুচি গল ।

ৰত্নাকৰ অকলশৰীয়া মানুহ আছিল । সেয়েহে কম বেচি যি উপাৰ্জন হৈছিল তাৰে তেওঁৰ দিনবোৰ ভালদৰে চলিছিল । বেমাৰ চিকিৎসাৰ ক্ষেত্ৰত তেওঁৰ ইমান সুনাম হল যে বহু দূৰ দূৰ ঠাইৰ পৰা ৰোগীবোৰ তেওঁৰ ওচৰলৈ আহিবলৈ ধৰিলে ।সৰু ডাঙৰ সকলো বেমাৰেই তেওঁ চিকিৎসা কৰিছিল আৰু কম দিনৰ ভিতৰতে বেমাৰ ভাল কৰি দিছিল । সেই কাৰণে মানুহবোৰে তেওঁক দেৱতা যেন দেখিছিল ।

সেই গাঁৱত এজন জমিদাৰ আছিল । ৰত্নাকৰে অতিকম দিনৰ ভিতৰতে যি নাম যশ অৰ্জন কৰিলে তাকে দেখি জমিদাৰৰ তেওঁৰ ওপৰত বৰ ঈৰ্ষা হল । ৰত্নাকৰ এই গাঁৱলৈ অহাৰ আগতে মানুহবোৰে জমিদাৰক দেৱতাৰ সমান জ্ঞান কৰিছিল । কিন্তু এতিয়া ৰত্নাকৰৰ আগত জমিদাৰৰ নাম কমি আহিবলৈ ধৰিলে ।সঁচা কথা কবলৈ হলে জমিদাৰে কেতিয়াও দুখীয়া মানুহক সহায় কৰা নাছিল ।আনহাতে এনে মানুহক ৰত্নাকৰে প্ৰচুৰ সহায় কৰিছিল ।

জমিদাৰে ৰত্নাকৰৰ নাম যশ মচি পেলা-বলৈ খুজিছিল ।এই সম্বন্ধে তেওঁ বহুত কিবা কিবি চিন্তাও কৰিলে, কিন্তু ইয়াক কাৰ্য্যকৰী কৰিবহে নোৱাৰিলে । তেওঁ আনকি ৰত্নাকৰক গাঁৱৰ পৰা খেদি দিয়াৰ কথাও চিন্তা কৰিছিল ।ৰত্নাকৰক গাঁৱৰ পৰা খেদি দিয়াতো জমিদাৰৰ কাৰণে খুব ডাঙৰ কাম

আনন্দ মিশ্ৰ

নহয় । কিন্তু ইয়াৰ পৰা তেওঁৰ বদনাম হোৱাৰ হে ভয় বেচি । এবাৰ তেওঁ ৰত্নাকৰক চিকিৎসা কৰাত বাধা দিবও বিচাৰিছিল । কিন্তু সেয়াও সহজ নহয় ।তথাপি তেওঁ সুযোগৰ অপেক্ষাত ৰল।

এদিন জমিদাৰে দেখিলে ৰত্নাকৰে ঔষধৰ মোনাখন হাতত লৈ কৰবালৈ গৈ আছে ।

"ৰত্নাকৰ , তুমি কলৈ যাবা ?" জমিদাৰে সুধিলে ।

" ওচৰৰে গাঁৱৰ মানুহে ৰোগী চাবলৈ মাতিছে । কালিলৈকে উভতি আহিম।" এইবুলি কৈ ৰত্নাকৰ গুচি গল ।

ৰত্নাকৰক ৰোগী চিকিৎসা কৰাৰ পৰা বিৰত কৰিবলৈ জমিদাৰে এক ভাল সুযোগ পালে ।সেইদিনা ৰাতি জমিদাৰে চাকৰৰ হতুৱাই ৰত্নাকৰৰ ঘৰত সিন্ধি খন্দালে আৰু তেওঁৰ ঘৰত থকা ঔষধৰ বটলবোৰ পেলাই দিয়ালে, লগতে বনৌষধিবোৰতো জুই জ্বলাই দিবলৈ কলে ।

পিছদিনা ৰত্নাকৰে ঘৰলৈ আহি দেখে এজন মানুহে তেওঁৰ কাৰণে অপেক্ষা কৰি আছে । ৰত্নাকৰে তলা খুলি ঘৰত সোমাই দেখে যে কোনোবাই তেওঁৰ সকলো ঔষধ নষ্ট কৰি দিছে আৰু কাঠিত সিন্ধিও খন্দা আছে ।

ৰত্নাকৰে ভাবিবলৈ ধৰিলে -'এই সিন্ধি খন্দা চোৰজন কি আচৰিত চোৰ ? ঘৰৰ অন্যান্য মূল্যবান বস্ত নিবলৈ এৰি ৰোগী চিকিৎসা কৰা ঔষধবোৰ হে নষ্ট কৰিছে ।

কোনোবাই নিশ্চয় ঈৰ্ষাতে এই কাম কৰিছে। মইতো কাৰো অন্যায় কৰা নাই ?'

বহুতো কষ্ট কৰি গোটোৱা ঔষধবোৰ এইদৰে নষ্ট হৈ যোৱাৰ কাৰণে ৰত্নাকৰৰ মনত বৰ দুখ লাগিল ।

চিকিৎসাৰ কাৰণে অহা ৰোগীবোৰে ৰত্নাকৰৰ প্ৰতি সহানুভূতি দেখুৱালে আৰু চোৰক গালি পাৰিলে ।আনহাতে জমিদাৰে নিজৰ কামৰ কৃতকাৰ্য্যতাত অতি আনন্দিত হল ।

এনে সময়তে জমিদাৰৰ চাকৰ এজনে জমিদাৰৰ লৰাজনক দাঙি লৈ আহি কলে, হুজুৰ, আপোনাৰ পুত্ৰক খেতি পথাৰত কিবা সাপে কামুৰিছে। তেওঁ অচেতন হৈ গৈছে। এতিয়া কি কৰা যায়?"

"ওচৰতে ৰত্নাকৰ বৈদ্য আছে ,তেওঁৰ তালৈকে লৈ বলা ।" তাত গোটখোৱা মানুহবোৰে কলে ।

লৰাজনক লৈ সকলো মানুহ ৰত্নাকৰৰ ঘৰলৈ গল । জমিদাৰেও ৰত্নাকৰৰ ঘৰলৈ গৈ ৰত্নাকৰক কলে, "ৰত্মাকৰ, মোৰ পুত্ৰক সাপে কামুৰিছে, তাক বচোৱা।"

"কি কৰো এতিয়া মই । যোৱা ৰাতি কোনোবা দুষ্ট মানুহে সিন্ধি খান্দি মোৰ ঘৰত সোমাই মোৰ সকলোবোৰ ঔষধ নষ্ট কৰি পেলাইছে ।" ৰত্নাকৰে কলে ।

জমিদাৰৰ এনে লাগিল যেন তেওঁৰ গালত কোনোবাই চৰ এটাহে মাৰিলে ।তেওঁ অতি দুখেৰে কলে, " ৰত্নাকৰ, ময়েই সেই দুষ্টালি কৰিছো।মোক ক্ষমা কৰা ।যিকোনো প্ৰকাৰে মোৰ পুত্ৰক বচোৱা। তোমাৰ এই উপকাৰৰ কথা মই জীৱনভৰ নাপাহৰো ।"

"এতিয়াই আহিছো ।" এইবুলি কৈ ৰত্নাকৰে বহিৰৰ ফালে দৌৰি গল ।

"ৰত্নাকৰ এতিয়া কিয় ঘুৰি আহিব ? তেওঁও প্ৰতিশোধ লব ।" এজনে কলে ।

"মই নিজৰ পুত্ৰক নিজ হাতেৰ বধ কৰিলো।" এইবুলি জমিদাৰে কান্দিবলৈ ধৰিলে ।

অলপ পিছতে ৰত্নাকৰে কিছুমান বনৌষধি লৈ আহি তাৰে ৰস উলিয়াই সেই ৰস লৰাজনৰ নাক আৰু চকুত লগাই দিলে। কিছু সময় পিছত লৰাটোৱে গাটো লৰালে। তাৰে কিছু সময় পিছত লৰাজন উঠি বহিল।

তাত থকা সকলো মানুহৰে মনত আনন্দ লাগিল । এই ঘটনাৰ পিছত জমিদাৰৰ সম্পূৰ্ণ পৰিবৰ্তন হল । তেওঁ ৰত্নাকৰক ঔষধ তৈয়াৰ কৰিবৰ কাৰণে কিছু টকা দিলে । এতিয়াৰ পৰা জমিদাৰৰ চাকৰবোৰেও ঔষধ সংগ্ৰহ কৰাত ৰত্নাকৰক সহায় কৰা হল । জমিদাৰেও নানা ধৰণে তেওঁক সহায় কৰে। ৰত্নাকৰে বিয়া -বাৰু কৰাই সেই গাঁৱতে স্থায়ীভাৱে থাকিবলৈ ললে । গাঁৱৰ সকলোৱে কবলৈ ধৰিলে ৰত্না কৰৰ কাৰণেহে জমিদাৰ এজন ভাল মানুহ হল।

চান্দমামাৰ নিবেদন
অজেয় গৰুড়
16
চিত্ৰ:পাণি
সেনাপতি নৰেন্দ্ৰদেৱে পৰ্বতৰ ওপৰত থকা মন্দিৰলৈ গৈছিল, য'ত প্ৰাৰম্ভণিৰ পৰাই তেওঁৰ দৰ্প চূৰ্ণ হৈছিল । কিন্তু তান্ত্ৰিকে তেওঁক নিজৰ ওচৰতে বহি উৎসৱ উপভোগ কৰিবলৈ কৈছিল । নাগবন্ধুৰ ভক্ত, যিসকলৰ হাতত একোডাল সাপ আছিল, হঠাতে বিষতে কেঁকাই কেঁকাই বাগৰি পৰিছিল । কিবা ভুল হৈ গ'ল । তান্ত্ৰিকে অনুষ্ঠান বন্ধ কৰি দিলে । তেওঁৰ শত্ৰু এজন যুৱকৰ ৰূপত আবিৰ্ভাৱ হৈছে, যিয়ে নিজকে গৰুড় বলি কয় ।
তান্ত্ৰিকে বুজাই কলে কেনেকৈ তেওঁৰ গুৰুক সন্তুষ্ট কৰিবৰ কাৰণে পুৰুষ আৰু স্ত্ৰীক বলি দি আছে ।
কি, গৰুড় তোমাৰ শত্ৰু বুলি কৈছা?
হয়, মই আগতেই ৫৯ জন গৰুড়ক বলি দিছো । সেই সকলোৰে ওপৰত গৰুড়ৰ চিহ্ন আছিল । মই শেষ বলিটোও পাইছিলোৱেই কিন্তু মোৰ পৰিকল্পনা নিষ্ফল হৈ গ'ল আৰু সি সাৰি গ'ল ।

নৰেন্দ্ৰদেৱে তান্ত্ৰিকৰ কথা শুনি অবাক হৈ ৰল।
মোৰ গুৰুৰ এই ইচ্ছা যে, মোৰ ৬০ তম চিকাৰ তোমাৰ ৰাজ্যৰ সেই যুৱকজন হব লাগিব।
মোক সেই যুৱকৰ ওচৰলৈ লৈ বলা... হয়! তেওঁৰ নাম আদিত্য। তেওঁ মোৰ শত্ৰুৰ দ্বাৰা অধিকৃত।
আদিত্য?

নৰেন্দ্ৰদেৱৰ মুখমণ্ডলত হাঁহি বিৰিঙি উঠিল।
এতিয়াহে মই জানিব পাৰিছো কোন কি?
আদিত্যই পৰ্বতৰ ওপৰৰ গুপ্ত স্থান গৈ পোৱাত ৰাম সিংহ আৰু অৰুনাই তেওঁক স্বাগতম জনালে।
আমি চিন্তিত হৈ আপোনাৰ প্ৰতীক্ষাত আছিলো।
আপুনি পোনে পোনে ৰজাক দেখা কৰিবলৈ যাওঁক।

ৰজাই ৰাজধানীৰ পৰিবৰ্ত্তিত পৰিস্থিতিৰ কাৰণে চিন্তামগ্ন।
যদি পৰিস্থিতি ইমানেই বেয়া, তেতিয়াহলে আমি অৱশ্যেই...
তৎক্ষণাত ৰাজধানীলৈ উলতি যোৱা উচিত। তুমি প্ৰাসাদত বিশ্বাসযোগ্য দেহৰক্ষীৰ ব্যৱস্থা কৰি দিয়া।
মহাৰাজ! প্ৰাসাদৰ সুৰক্ষা নৰেন্দ্ৰদেৱৰ হাতত আছে।

যিবোৰ আমাৰ স্বামী ভক্ত আছে সিহঁতক দেশৰ পৰা বাহিৰ কৰি দিয়া হৈছে অথবা বন্দী কৰি ৰখা হৈছে ।
মোৰ পৰামৰ্শ এই যে মহাৰাজ ৰাজধানীলৈ যোৱা উচিত নহব, যেতিয়ালৈকে নৰেন্দ্ৰদেৱ আৰু ৰবীন্দ্ৰদেৱ...
এইবোৰ কথা শুনি থকা অৰুনাই আদিত্যৰ কথাত হস্তক্ষেপ কৰিলে ।
ৰামসিংহই তেওঁৰ গুপ্তচৰৰ পৰা কিবা খবৰ পালে ।
তেওঁক ভিতৰলৈ আহিবলৈ কোৱা ।
সেনা পতিয়ে এজন তান্ত্ৰিকক ৰজাক নিজৰ বশলৈ আনিবলৈ যাদু মন্ত্ৰ প্ৰয়োগ কৰিবলৈ কৈছে ।
আৰু কি ৰামসিংহ?
আৰু আপোনাক মাৰিবলৈ
তেওঁ ৰাজদ্ৰোহী! তেওঁক বন্দী কৰা । প্ৰজাৰ সম্মুখত তেওঁৰ ফাঁচি হোৱা উচিত ।
আদিত্যই পৰামৰ্শ দিলে যে ৰজাই নতুন নগৰত বাসস্থান পৰিবৰ্তন কৰিব লাগে ।
নহয়, মই ৰাজপ্ৰাসাদলৈকে যাম । প্ৰজাসকল মোৰ শক্তি । এতিয়া মই তেওঁলোকৰ পৰা দূৰত থাকিব নোখোজো ।
আপোনাৰ যি ইচ্ছা মহাৰাজ!

মই প্ৰজাক কম যে এই ষড়যন্ত্ৰকাৰী সকলৰ বিৰুদ্ধে এক গোট হব লাগে।
তেওঁলোকৰ উপস্থিতিতে মই নিজৰ ভাগ্য নিৰ্দ্ধাৰণ কৰিম।
ৰামসিংহ, তুমি আগতে গৈ সকলোকে এই সংবাদ দিয়াগৈ যে মই অতিশীঘ্ৰে ৰাজধানীলৈ উলতি আহিম।
হব মহাৰাজ!
ৰামসিংহ, ৰজাৰ কাৰণে সঠিক পথ প্ৰদৰ্শকৰ ব্যৱস্থা কৰা।
মহাৰাজ! মই ৰাজধানীলৈ গৈ আপুনি ঘূৰি অহাৰ কথা ঘোষণা কৰিম। অৰুণা আপোনাৰ সৈতে যাব।
ৰজা আৰু মাতৃভূমিক দুষ্ট শক্তিৰ হাতৰ পৰা মই ৰক্ষা কৰিব লাগিব।
(ক্ৰমশঃ)

তোমাৰ সৃজনী প্ৰতিভা
কামত লগাই
পুৰস্কাৰ লাভ কৰা

# বিশেষ শিশু সংখ্যাৰ কাৰণে

## শিশুসকলৰ পৰা গল্প, কাহিনী আদি আহ্বান কৰা হৈছে

## নভেম্বৰ ২০০২ সংখ্যা

**তৰুণ লিখকসকলৰ কাৰণে :** এটা আকৰ্ষণীয় নামেৰে সৈতে ৫০০ শব্দৰ ভিতৰত তুমি লিখা মৌলিক গল্প আমালৈ পঠাবা। গল্প বা কাহিনীবোৰ ইংৰাজী, হিন্দী, বঙালী, উৰিয়া, মাৰঠী, গুজৰাটী, তেলেগু, কানাড়া, তামিল, অথবা মালয়ালম যিকোনো ভাষাতে লিখা হব পাৰে। তুমি তিনিটা পৰ্যন্ত লিখনি পঠাব পাৰা। নিৰ্বাচিত গল্পবোৰ ১২টা ভাষাতে প্ৰকাশিত নৱেম্বৰ ২০০২, বিশেষ শিশু সংখ্যাত প্ৰকাশ কৰা হব।

**তৰুণ শিল্পীসকলৰ কাৰণে:** ভাৰতীয় পৌৰাণিক/বুৰন্জীমূলক বিখ্যাত ঘটনাৰ ওপৰত ভিত্তি কৰি অঁকা ড্ৰইং/পেইন্টিং (লিখিত বৰ্ণনা সহ) তিনিটালৈকে পঠাব পাৰিব। নিৰ্বাচিত শিল্পীসকলক বিশেষ সংখ্যাৰ কাৰণে মনোনিত গল্প আদিৰ ছবি আঁকিবলৈ চেন্নাইলৈ আমন্ত্ৰণ জনোৱা হব (ভ্ৰমণ খৰছ দিয়া হব)।

**শেষ তাৰিখ : ৩১ আগস্ট, ২০০২**

**প্ৰতিযোগীসকলৰ বাবে বহুতো আকৰ্ষণীয় পুৰস্কাৰ আছে।**

**ফটো :** তোমাৰ লিখনি বা ছবিৰ সৈতে পাচপোৰ্ট আকাৰৰ ফটো গাঠি দিব লাগিব।

(অনুগ্ৰহ কৰি তলৰ কুপণখন পূৰ্ণ কৰি সেইখন কাটি লিখনি অথবা ছবিৰ সৈতে গাঠি দিবা। তোমাৰ লিখনি বা ছবি পঠোৱাৰ ঠিকনা : বিশেষ শিশু সংখ্যা প্ৰতিযোগিতা, **Chandamama India Limited, 82, Defence Officers' Colony, Ekkatuthangal, Chennai - 600 097).**

নাম :........................................................................ বয়স/জন্ম তাৰিখ: ........................

শ্ৰেণী: ............ স্কুল: ..............................................................................................

ঘৰৰ ঠিকনা: ..............................................................................................................

.................................................................................................................................

.......................................................................................................... পিন কোড: ............

লিখনি বা ছবিৰ বিৱৰণ :-

১.....................................................

২.....................................................

৩.....................................................

মই ইয়াৰ দ্বাৰা প্ৰমাণিত কৰিব খোজো যে ওপৰত উল্লেখ কৰা লিখনি/ছবিসমূহ মোৰ পুত্ৰ/ কন্যাৰ মৌলিক কৰ্ম, ইয়াত কাৰো সহায় লোৱা হোৱা নাই। নিৰ্বাচিত লিখনিৰ/ছবিৰ সম্পূৰ্ণ কপিৰাইট চান্দমামাক দিবলৈ মই সন্মত আৰু ইয়াক যিকোনো মাধ্যমেৰে যিকোনো ভাষাত প্ৰকাশ কৰিব পাৰিব।

প্ৰতিযোগীৰ চহী

পিতৃ মাতৃৰ চহী

# খেলিমেলি ধেমালি

## এখন ছবিতে অনেক মজা

ছবি মাত্র এখন আৰু তাতে বহুতো কৰিব লগীয়া আছে : প্ৰথমতে ছবিখন ৰং কৰা, তাৰপাছত আন্টি আন্টৰ ছবিখনত কি ভুল আছে বিচাৰি উলিয়া । শেষত, গুবৰুৱাবোৰৰ ভিতৰত কোন দুটা একে ধৰণৰ বিচাৰি উলিয়া ।

## একেটা পাকতে

এইটো এটা আচৰিত ধৰণৰ ৰাজহাঁহ নহয়নে? ইয়াৰ বিশেষত্ব কি তুমি জানানে? এইটো পেন্সিলডাল নোতোলাকৈ একেটা পাকতে অঁকা হৈছে । তুমিও চেষ্টা নকৰা কিয়?

# আন্টি আর্ট

**(Anty Art)**

তুমিও এজন শিল্পী হব খোজা নেকি? ইয়াতে দিয়া সহজ পৰ্য্যায় ক্ৰমবোৰ অনুসৰণ কৰা আৰু এটা পৰুৱাৰ ছবি আঁকা ।



## ফান ফাদাৰ

এই বুঢ়া মানুহজনৰ একোচা দীঘল ভোবোৰা দাড়ি আছে, নহয়নে বাৰু? তুমি ভালদৰে নিৰিক্ষণ কৰিলে দেখিবা যে ইয়াৰ ভিতৰত বহুতো জীৱ লুকাই আছে । তাৰে কিমানটা জীৱ চিনাক্ত কৰিব পাৰিবা?

(উত্তৰ ৬৪ পৃষ্ঠা)

# ফটো নামকৰণ প্ৰতিযোগিতা

**কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?**

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা।

*ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,* ৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব। বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব। পুৰস্কাৰ পাওঁতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব!

**বিজয়ী বাক্য**

পুৰণিকলীয়া পশু বাহন।
আধুনিক যুগৰ মটৰ যান!

**অভিনন্দন**

জুন সংখ্যাৰ পুৰস্কাৰ বিজয়ী
শ্ৰী দিচাঙ্কু কলিতা
মাৰফৎ - অজিৎ কলিতা, গাওঁ - ৰহা
পো : চকচকা, বৰপেটা (অসম)

খেলিমেলি ধেমালিৰ উত্তৰ (৬৪ পৃষ্ঠা)

এখন ছবিতে অনেক মজা
পৰুৱাৰ এখন ঠেং নাই

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam

Book Your Copy Now

CHANDAMAMA'S

# EARLY READER series

# JATAKA TALES




JATAKA TALES - Early Reader Series (Level 1) teaches children to instantly recognise 100 sight words in English. It promises clean fun, good learning and a superior pedagogical approach.

It is the first of a 3-series pack.

These CD-ROMs can also be used for any ESL (English as Second Language) course or Adult education programs that teach English.

*For more details, Contact :* Chandamama India Limited, 82, Defence Officers' Colony, Ekkattuthangal, Chennai - 600 097. Ph : 234 73 99, 234 73 84

**CHANDAMAMA** (Assamese) **AUGUST 2002**

Registrar of Newspaper for India No. 30278/76
Registered No. TN/CPMG-870/2002